চান্দমামা

জানুৱাৰি ১৯৮৭

“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই সাজি!”

-ফেভিফেইৰী



লৰা-ছোৱালীৰ কাৰণে কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো নহয়
হাত বহি গৈ শেষত হবগৈ
একেজনা ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, চৰাই, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বৰ কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

সূৰুযমুখী ফুল থাপে থাপে কেনেকৈ সাজিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী”, পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

সূৰুযমুখী ফুল থাপে থাপে কেনেকৈ সাজিব সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত: “ফেভি ফেইৰী” পোষ্ট বক্স ১১০৮৪, বোম্বাই ৪০০ ০২৩।

নাম: ____________________

বয়স: ____________________

ঠিকনা: ____________________

____

চহৰ: ____________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জার্নেল ফেভিক্ৰাফট পালানে? হয়/নহয়

® এম-আৰ

ফেভিকল

চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

® দুয়ো আৰু ফেভিকল বাণ্ড হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক

OBM-8527 AS

দিনটো আৰম্ভ হওক সুখত সজীৱ আমেজ লৈ মুখত!

…পিপাৰমেন্ট আৰু …স্পিয়াৰমেন্টৰ সতেজ সজীৱ আমেজ। বঢ়িয়া ফৰ্মূলাৰ …মিষতে বিয়পি পৰা ফেনেৰে …াঁত চিকচিকীয়াকৈ …ৰিষ্কাৰ কৰে, নিশ্বাসত …িগ্ধ সুগন্ধ। …নতুন পণ্ডচ টুথপেষ্টৰে দাঁত …ঘঁহিবলৈ অকণো আমনি …নলাগে, বৰং ভালহে লাগে।

চাব, সৰু সৰু ল'ৰা-ছোৱালীয়ে এই টুথপেষ্টৰে দাঁত ঘঁহিবলৈ বৰ ভাল পাব। আজিয়েই নতুন পণ্ডচ টুথপেষ্ট কিনক। আপোনাৰ জীৱনৰ প্ৰতিটো পুৱা হৈ উঠক সুন্দৰ, সাৰ্থক।



বিশেষ উপাদান থকাত ফেনবোৰ দ্ৰুত বিয়পি পৰে। শক্তিশালী ফেনত …



… বৰ সহজেই দাঁতৰ ময়লা আৰু লগাই থকা খোকাকণ্টুৰ টুকুৰা টোক্তা কৰি দি দাঁত সুস্থ আৰু চিকমিকীয়া কৰি তোলে।

নতুন
পণ্ডচ
টুথপেষ্ট

সুস্থ সবল ৰাখে দাঁত, সুৰভিত সতেজ নিশ্বাস

OBM 9786 ASS



[illegible] গোস্বামী
২৭/১/৮৭

চান্দমামা

জানুৱাৰি ১৯৮৭

এই সংখ্যাত আছে

অমৰ বাণী : ৭
চান্দমামাৰ সম্বাদ-বিসম্বাদ : ৯
চোলবাজ আৰু বিষ্ণুদাস : ১০
উচ্চ-নীচ : ১১
ভূতৰ ভকৰা মাত : ১৫
জ্বালা দ্বীপ : ১৯
পালী চাই ৰাগ : ২৭
আমাৰ দ'ল-দেৱালয় : ৩৫
পঞ্চব্যাঘ্ৰাসুৰ : ৩৯
উত্তৰ-ৰামায়ণ : ৪৩
লাভ আৰু লোভ : ৫১
শলাল-শলাগ : ৫৭
ৰজাৰ দায় : ৫৯
কবিৰ কবিৰাজী : ৬০

খনে : ২'৫০ পইচা মাথোন বছৰকীয়া বৰঙনি : ৩০'০০ টকা মাথোন

A BRIGHT NEW TRADITION IS BUILT by THE READERS OF

THE HERITAGE

FEATURES AND FICTION FOR TODAY AND TOMORROW

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE.

* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and *"Fables and Fantasies for Adults"*.
* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, novels and poems.
* THE HERITAGE features pictorial articles on places and monuments delving into their *roots*.
* THE HERITAGE takes you to a tour of the *Little-Known India*.

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিৱেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্বলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

এটি বিশেষ কথা: ‘‘চান্দমামা’ৰ গ্ৰাহক হ’বলৈ হ’লে বছৰেকীয়া বৰঙণিৰ টকা পোনে পোনে চান্দমামাৰ মাদ্ৰাজৰ ঠিকনালৈ পঠাব; ফটো-নামকৰণ প্ৰতিযোগিতাৰ ঠিকনালৈ কোনো ধৰণৰ টকা-পইচা নপঠাব। বছৰৰ যিকোনো মাহৰেপৰাই চান্দমামাৰ গ্ৰাহক হ’ব পাৰি। চান্দমামাত প্ৰকাশৰ বাবে লেখা-মেলা—এক: লেখা-মেলা লোক-কাহিনী ভিত্তিক হ’ব লাগিব; দুই: ইংৰাজীলৈ ভাঙি পঠাব লাগিব। লেখা-মেলা মনোনীত হ’লে ছমাহৰ ভিতৰত প্ৰকাশিত হয়। অমনোনীত লেখা-মেলা ঘূৰাই পঠোৱা নহয় আৰু এই বিষয়ত ব্যক্তিগতভাৱে পত্ৰালাপ কৰা নহয়।

অমৰ-বাণী

কৰাবিব শৰীৰস্থ নেত্ৰয়োৰিব পক্ষ্মীনী।
অবিচাৰ্য্য প্ৰিয়ম্ কুৰ্য্যাৎ তন্মিত্ৰম্ মিত্ৰমুচ্যতে॥

[হাতে যেনেকৈ দেহৰ প্ৰয়োজন পূৰণ কৰে, চকুৰ পিৰঠিয়ে যেনেকৈ চকুযুৰিক ৰক্ষা কৰে, ঠিক তেনেকৈ, বিপদ কালত সহায় নৌবিচাৰোঁতেই বন্ধু আগুৱাই আহে।]

বছৰ: ১১ জানুৱাৰি ১৯৮৭ সংখ্যা: ১০

খনে: ২.৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০.০০ টকা





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

শ্ৰেষ্ঠ বন্ধু

ইতালীদেশৰ নেপল্‌ছ্‌ নগৰৰ এটা ঘৰত জুই লাগিল। এটা কোঠাত আছিল তিনি বছৰীয়া এটি শিশু আৰু ৰাকী নামৰ এটি জৰ্মন কুকুৰ। তিনি বছৰীয়া সেই শিশুটিক জুইৰ কবলৰপৰা বচাবলৈ ৰাকীয়ে শিশুটিৰ গাত থকা চোলাত কামুৰি ধৰি তাক টানি টানি কোঠাটোৰপৰা উলিয়াই আনিলে। তাৰ পাছত ৰাকীয়ে আনকো উদ্ধাৰ কৰিবলৈ আন কোঠা এটালৈ সোমালগৈ। কিন্তু সেই জ্বলন্ত কোঠাটোৰপৰা ৰাকী আৰু ওলাব নোৱৰা হ'ল।

নাপলয়োঁৰ জাহাজ

ওৱাটাৰ্লু যুদ্ধৰ এমাহৰ আগতে, অৰ্থাৎ ১৭৯৮ খ্ৰিষ্টাব্দৰ জুলাই মাহৰ ৪ তাৰিখে নাপলেয়ঁ ব'নাপাৰ্তৰ 'লা পেত্ৰিয়তে' জাহাজ মিছৰদেশৰ সাগৰত ডুবি গৈছিল। ১৮৮ বছৰৰ পাছত. অৰ্থাৎ ১৯৮৩ খ্ৰিষ্টাব্দত ফ্ৰান্সৰ বিজ্ঞানী-সকলে এই জাহাজখনক সাগৰতলীত আবিষ্কাৰ কৰিলে।



ফটো-ফোন

সম্প্ৰতি মুহূৰ্ততে যিকোনো মানুহৰ ফটো লৈ আন মানুহলৈ পঠাব পৰা ফোন আবিষ্কৃত হোৱাৰ বাতৰি পোৱা গৈছে।

পুৰাণ-গাথা

চোলৰাজ আৰু বিষ্ণুদাস

কাঞ্চীপুৰৰ চোলৰাজ বিষ্ণুভক্ত হিচাপে খ্যাত আছিল। এক বিশেষ অনুষ্ঠানৰ দিনা তেওঁ মণি-মুকুতা তথা ৰত্নহাৰ আদিৰে ভূষিত হৈ বিষ্ণুৰ মন্দিৰলৈ গ'ল। তেওঁ মন্দিৰলৈ যোৱাৰ আগতে বিষ্ণুদাস নামৰ দুখীয়া মানুহ এজনো সেই মন্দিৰলৈ গৈছিল। চোলৰজা গৈ পোৱাৰ আগতেই বিষ্ণুদাসে ভগৱান বিষ্ণুক তুলসী পাতেৰে সজাইছিল। বিশেষ অনুষ্ঠানৰ দিনা বিষ্ণুৰ বিগ্ৰহ অতি সাধাৰণ তুলসী পাতেৰে সজোৱা দেখি ৰজাই আমনি পাই সেইবোৰ তুলসীপাত গুচাই বহুমূল্য অলংকাৰেৰে সজালে আৰু তাৰ পাছত দানধৰ্ম কৰি পূজা সমাপন কৰিলে।

বিষ্ণুদাস তাৰপৰা আঁতৰি গ'ল আৰু এটি বিষ্ণুমূৰ্তি কিনি, ভিক্ষাৰে পোৱা চাউলেৰে ভাত ৰান্ধি, নৈবেদ্য হিচাপে দি, সেই বিষ্ণুমূৰ্তিক পূজা কৰিলে। পূজা সমাপনৰ অন্তত সেই ভাতখিনি কোনোবাই খোৱা যেন লাগিল বিষ্ণুদাসৰ। বিষ্ণুদাসে তৎক্ষণাৎ চকু মেলি চালে আৰু এজন দুখীয়াৰো দুখীয়াই ভাতখিনি খাই গুচি যোৱা দেখা পালে। বিষ্ণুদাস সেই দুখীয়া মানুহজনৰ পিছে পিছে দৌৰি গ'ল। মানুহজন দৌৰি থাকিল আৰু এসময়ত মূৰ্চ্ছিত হৈ পৰিল। বিষ্ণুদাসে সেৱা-শুশ্ৰূষা কৰি মানুহজনৰ চেতনা ঘূৰাই আনিলে। এই দুখীয়াৰো দুখীয়া মানুহজনেই আছিল স্বয়ং বিষ্ণু ভগৱান। বিষ্ণুৱে বিষ্ণুদাসক বুকুৰ মাজত আঁকোৱালি লৈ নিজদেহতে লীন কৰি ল'লে।

এই ঘটনাৰ কথা শুনি চোলৰজাই ভাবি থাকিল : মই ইমান যাগ-যজ্ঞ কৰিলোঁ, বিষ্ণুক ভকতি কৰিলোঁ, মোৰ একো এটাও লাভ নহ'ল, অথচ বিষ্ণুদাস নামৰ ক'ৰবাৰ কোনেহে বিষ্ণুক পালে! এইবোৰ কথা ভাবি ৰজাই আত্মঘাতী হ'ব বুলি খাটাং কৰাত বিষ্ণুৱে ৰজাক দৰ্শন দি ক'লে, "ৰজা, তুমি আৰু বিষ্ণুদাস দুয়োজনেই মোৰ ভক্ত। কিন্তু তুমি অহংকাৰী হোৱা বাবেহে এই ফল ফলিল। তোমাৰ অহংকাৰ লুপ্ত হওক।" বিষ্ণুৱে ৰজাক আশীৰ্বাদ কৰিলে।



উচ্চ-নীচ

বসন্তগিৰি দেশৰ ৰজাৰ নাম আছিল চন্দ্ৰকান্ত। যদিও ৰজা, তথাপি, ৰজা আছিল ৰাণীহীন। অৰ্থাৎ চন্দ্ৰকান্ত ৰজা বয়সত যুৱক হোৱা সত্বেও আছিল বৰলা।

এদিন দুপৰীয়াৰ পাছত ঘোঁৰাত উঠি ৰজা চন্দ্ৰকান্ত উদ্দেশ্যহীনভাৱে ওলাল। গৈ গৈ তেওঁ বনৰ ভিতৰলৈ সোমালগৈ। হঠাৎ, বনৰ মাজত থকা সৰোবৰ এটাত ৰজাই এজনী অতি ৰূপৱতী তৰুণীক গা ধুই থকা দেখা পাই 'ৰৈ দিলে আৰু ৰ' লাগি চাই ৰ'ল যুৱতীৰ পিনে। এই যুৱতী যে এই বনৰ আশে-কাষে থাকে, ৰজাই ভালকৈ বুজি পালে।

এই বনফুল সদৃশ বনৰ গাভৰুক বিয়া কৰাবৰ মন গ'ল ৰজাৰ। কিন্তু ৰজাই ভাবিলে ঃ ৰজা হৈ বনৰ অধিবাসী এজনীক বিয়া কৰালে প্ৰজাৰ মনত বা কেনে প্ৰতিক্ৰিয়া হয়!

ৰজা চন্দ্ৰকান্তৰ মুখ্যমন্ত্ৰী দেৱবৰ্মাদেৱে ৰজাক এদিন সুধিলে, "মহাৰাজ, আপুনি কোনোবা বিষয়ত গভীৰভাৱে ভাবি থকা যেন পাইছোঁ। যদি কোৱাত অসুবিধা নাই—মোক খুলি কওক।"

মুখ্যমন্ত্ৰীৰ কথা শুনি ৰজা চন্দ্ৰকান্তই সকাহ পোৱা যেন পাই মুখ্যমন্ত্ৰী দেৱ-বৰ্মাদেৱক বৃত্তান্ত ভাঙি-পাতি কোৱাৰ অন্তত মন্তব্য কৰিলে, "কিন্তু এজনী বনবাসী যুৱতীক বিবাহ কৰোৱাটো এজন ৰজাৰ পক্ষে সমীচীন হ'বনে নহ'ব, প্ৰজাৰ মনত কেনে প্ৰতিক্ৰিয়া হব—সেই কথা ভাবি মই চিন্তিত হৈ পৰিছোঁ।"

মুখ্যমন্ত্ৰী দেৱবৰ্মাদেৱে ৰজাক ক'লে,

ৰেণু মিশ্ৰ

"মহাৰাজ, প্ৰেম-ভালপোৱাত কোনো উচ্চ-নীচ নাই।" ইমানলৈকে কৈ ৰজাৰ মস্তকত থকা ৰাজমুকুটলৈ আঙুলিয়াই তেওঁ পুনৰ ক'লে, "চাওক, মুকুটত থকা মুকুতাবোৰ এসময়ত মাটিতহে পৰি আছিল, সেই মাটিৰ মুকুতা বুটলি আনি যোগ্য ঠাইত যোগ্য ভাৱে স্থাপন কৰাতহে এতিয়া ৰাজমহিমাৰে উজলি আছে।"

পাছদিনা ৰজা চন্দ্ৰকান্ত সেই যুৱতীৰ কুটীৰলৈ গ'ল। যুৱতীৰ নাম চম্পাৱতী।

আদিবাসী চুবুৰীৰ অবাক চৰ্দাৰে ৰজাক নমস্কাৰ কৰি ক'লে, "মহাৰাজ! আমাৰ চুবুৰীত আপুনি পদাৰ্পণ কৰাত আমি ধন্য মানিছোঁ। কেনেকৈ যে মহাৰাজৰ সেৱা কৰিব পাৰোঁ—"

চৰ্দাৰৰ কথাৰ মাজতে ৰজাই ঘৰৰ দুৱাৰমুখত থিয় হৈ থকা চম্পাৱতীলৈ আঙুলিয়াই ক'লে, "এই যুৱতীৰ যদি অনিচ্ছা নহয়, মই এই যুৱতীক বিবাহ কৰাব খুজিছোঁ। এই কাৰণেই মই ইয়ালৈ আহিছোঁ।"

ৰজাৰ কথা শুনিয়েই চম্পাৱতী লাজতে ৰঙা পৰি দৌৰি ঘৰৰ ভিতৰলৈ গ'ল। চুবুৰীৰ চৰ্দাৰে চম্পাৱতীহঁতৰ ঘৰলৈ গৈ অলপ পাছত ঘৰৰপৰা ওলাই আহি ৰজাক ক'লে, "মহাৰাজ, অতি দুখেৰে কওঁ, এই বিবাহ নহ'ব। কিয়নো, চম্পাৱতী এই ঠাই এৰি ক'লৈকো



নাযাব। তাইক বিয়া কৰালেও যদি তাই ৰাজপ্ৰাসাদলৈ নোযোৱা হয়, তথাপি আপুনি তাইক বিয়া কৰাবনে?"

ৰজা চন্দ্ৰকান্তই অবাক হৈ ক'লে, "মোৰ পত্নী যদি মোৰ ঘৰলৈ নাযায়— বিবাহৰ অৰ্থ— ?" ক্ষুব্ধ ৰজা চন্দ্ৰকান্ত ক্ষুণ্ণ মনে ৰাজধানীলৈ উভতি গ'ল।

ৰজাৰপৰা সকলো কথা শুনাৰ অন্তত মুখ্যমন্ত্ৰী দেৱবৰ্মাদেৱে ৰজাক নম্ৰভাৱে সুধিলে, "মহাৰাজ, তথাপি সেই যুৱতীক বিবাহ কৰোৱাৰ ইচ্ছা আছেনে?"

ৰজা চন্দ্ৰকান্তই মূৰ দুপিয়াই মহামন্ত্ৰীক ক'লে, "চুবুৰীৰ চৰ্দাৰেই হ'ল চম্পাৱতীৰ পিতাক। চৰ্দাৰৰ কথাৰ তাৎপৰ্য্য অনুধাৱন কৰিব পাৰিছেনে?"

মুখ্যমীয়ে তৎক্ষণাৎ একো উত্তৰ দিব নোৱাৰি ক'লে, "মহাৰাজ, এতিয়াই উত্তৰ দিবলৈ মই অপাৰগ।"

"ঠিক আছে, কালিলৈ এই বিষয়ে আমি আকৌ কথা হ'ম। আপুনি মোৰ প্ৰাতৰ্ভ্ৰমণৰ সময়ত উদ্যানলৈ আহিব।"

পাছদিনা ৰজা আৰু মহামন্ত্ৰীয়ে উদ্যানত পাইচাৰি কৰি কৰি কথা পাতি থাকোঁতে অলংকাৰেৰে সাজি-কাচি তালৈ আহি থকা চম্পাৱতীক দেখা পাই বিস্মিত ৰজাই মন্ত্ৰী দেৱবৰ্মাদেৱলৈ চালে।

মুখ্যমন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ! চম্পাৱতীক ধৰি লৈ অহা হৈছে।



চম্পাৰতীৰ দেউতাকে বা সেই চুবুৰীৰ আন কোনেও কোনো প্ৰকাৰৰ বাধা দিয়া নাছিল। ৰজাৰ ইচ্ছাপূৰণ নকৰাটো যে অপৰাধ—সিহঁতে বোধহয় বুজি পাইছে।"

ৰজাই মন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, এই কাম অনুচিত হ'ল। আপুনি এতিয়াই চম্পাৰতীক সসম্মানে সেই চুবুৰীলৈ পঠোৱাৰ বন্দবস্ত কৰক।" খন্তেকমান ৰৈ ৰজাই পুনৰ ক'লে, "মই নিজেই চম্পাৰতীক থৈ আহিমগৈ।"

চম্পাৰতীক লগত লৈ ৰজা চন্দ্ৰকান্ত সেই চুবুৰীলৈ গ'ল। তেতিয়া চম্পাৰতীৰ দেউতাকে ৰজাক ক'লে, "মহাৰাজ! আপুনি আমাৰ ছোৱালীজনীক প্ৰকৃততেই ভাল পাই পেলাইছেনে ক্ষন্তেকীয়া মোহৰ আকৰ্ষণত পৰিছে—তাৰ পৰীক্ষা ল'বলৈহে মই সেই চৰ্ত আৰোপ কৰিছিলোঁ। চম্পাৰতী সন্মত হ'লহে আপুনি তাইক বিবাহ কৰাব—আপুনি এই কথা কোৱাত আমি বুজি পোৱা হৈছিলোঁ যে আমাৰ মহাৰাজ কিমান ভদ্ৰ ব্যক্তি! তথাপি মোৰ মনত ভয় হৈছিল, ভাবিছিলোঁঃ আমি বনত থাকোঁ, বহুতেই আমাক বনবাসী তথা আদিবাসী বুলি ভাবে, কয়। সেই কাৰণে, এজনী আদিবাসী গাভৰুৰ প্ৰতি আপোনাৰ মৰম কিমান গভীৰ—তাৰ পৰিমাপ ল'বলৈহে মই তেনেকুৱা এক অসম্ভৱ চৰ্ত আৰোপ কৰিছিলোঁ। নহ'লে—বিয়াৰ পাছত পত্নী স্বামীৰ ওচৰত নাথাকি আন ক'তো যে থাকিব নোৱাৰে—সেই কথা আমি নাজানোনে কিবা?" এই বুলি কৈ চম্পৰতীৰ দেউতাকে হাঁহি উঠিল।

কিছুদিনৰ পাছত ৰজা চন্দ্ৰকান্তই চম্পাৰতীক বিয়া কৰালে। তাৰ পাছত চম্পাৰতীয়ে পঢ়া-লিখা শিকি, ৰজা চন্দ্ৰকান্তৰ যোগ্য পত্নী তথা ৰাণীৰূপেও ৰাইজৰ দ্বাৰা সমাদৃতা হৈছিল।

ভূতৰ ডকৰা মাত

সিংহীগাঁৱত ৰণসিংহ নামৰ এগৰাকী জমিদাৰ আছিল। গাঁৱৰ সোঁমাজত জমিদাৰৰ দোতলা পকী ঘৰ আৰু এই বিৰাট পকী ঘৰটোৰ নিচেই কাষতে আছিল এটি সৰু জুপুৰি। এই জুপুৰিটোৰ গৰাকী আছিল দুখীয়াৰো দুখীয়া শান্তশীল।

কিন্তু শান্তশীলহেন ডাল-দৰিদ্ৰ এটা গাৰ লগত লাগি থকা কথাটোৱে জমিদাৰ ৰণসিংহক সদায় বৰ আমনি দিছিল। শান্তশীলক কেনেকৈ ইয়াৰপৰা খেদিব পাৰি ৰণসিংহই দিনে-নিশাই সেই কথা ভাবিছিল, ছুতা বিচাৰি ফুৰিছিল, ছিদ্ৰ ধৰিব নোৱাৰি ছিটিকি ফুৰিছিল।

এদিন ৰণসিংহই গুজৰি উঠি ক'লে, "হেৰ ঐ শান্ত, তোৰ তিনি পইচীয়া কুকুৰাবোৰে যে মোৰ লাখটকীয়া বাগান-খন তহিলং কৰিলে তোৰ ঢেলুকা চকু মেলি দেখিছনে নাই—অ' কণাৰ পো।"

শান্তই শুনিও নুশুনা হৈছিল। তাৰ কুকুৰা যে সিংহৰ বাগানলৈ সোমোৱাগৈ নাই—কথাটো ভালেকৈয়েই জানে সি।

আন এদিন ৰণসিংহই দাঁত-মুখ কৰচি শান্তশীলক ক'লে, "বোলোঁ ঐ কণাৰ বেটা অন্ধলা, তোৰ জুপুৰিৰ চালৰপৰা পৰি টোপাটোপে পানী পৰি যে মোৰ—মাটি-বাৰী নষ্ট হৈছে, তই বেটাই দেখা নাইনে? আন এদিন এবাৰ এটুপিও পানীপৰক, চাবি তোৰ জুপুৰি ক'ত থাকে আৰু তই ক'ত থাক।"

কিন্তু দিন-হাজিৰা কৰি কথমপি পেট প্ৰৱৰ্তোৱা শান্তশীলক যেতিয়া একোপধ্যে খেদিব নোৱাৰিলে, তেতিয়া এদিন

ঊৰাম ওজা

ভৰসা একমাথোন ভগৱন্ত। তেওঁ যদি তোমাৰ ঘৰত জুই লগাই দিয়ে, বা ভাঙি পেলায়—তেনেহ'লে মই কিজানি অলপ-মান শান্তি পাম।"

জমিদাৰৰ মনৰ আচল কথা বুজিবলৈ শান্তশীলৰ পলম নহ'ল। আজি হওক কাইলৈ হওক—জমিদাৰে নিজেই, বা মানুহ লগাই ঘৰত জুই দিয়াব। শান্তই ভাবিলে: তাতকৈ এই গাঁও এৰি গুচি যোৱাটোহে ভাল হ'ব।

আৰু ভবামতেই শান্তই তাৰ ঘৰ-দুৱাৰ বেচি আন গাঁৱলৈ গুচি গ'ল।

*

জমিদাৰ ৰণসিংহই শান্তশীলক ঘৰত মতাই অনাই ক'লে, "চোৱাঁ শান্ত, তুমি নামতো শান্ত, কামতো। পিছে তোমাৰ কুকুৰাবোৰ অতি অশান্ত। সিহঁতকেইটাই মোৰ বাগান খোৱাৰ উপৰিও ৰাতি নৌপুৱাওঁতেই ইমান যে বিকটভাৱে চিঞৰে—মোৰ চকুৰ টোপনিয়ে খোপনি হেৰুৱায়। আৰু কথাৰ মাত্ৰ কুকুৰাতে অন্ত নহয়। তোমাৰ পৰিবাৰ ল'ৰা-ছোৱালীহঁতো কুকুৰাবোৰৰ দৰে দিনে-নিশাই চিঞৰ-বাখৰ কৰে। এতিয়া—তোমাৰ কবলৰপৰা মই যে কেনেকৈ ৰেহাই পাম—ভাবি পোৱা নাই। এতিয়া

কেইবছৰমানৰ পাছত জমিদাৰ ৰণ-সিংহই জনবহুল নগৰত এটা ঘৰ কিনিলে। সিদিনা ঘৰধো কিনা হৈ গ'ল, তাৰ পাছদিনাই কাষৰীয়া আন এটা ঘৰৰপৰা হৈ-চৈৰ শব্দ উঠাত ৰণসিংহ কৌতূহলী হৈ তালৈ গ'ল।

ৰণসিংহৰ প্ৰশ্নৰ উত্তৰত এজন মানুহে ক'লে, "এই ঘৰটো সেইজন মানুহে বহু টকাৰে কিনিলে। কিন্তু কথা হ'ল যে—তেওঁ এই ঘৰটোত থাকিব নোৱৰা হৈছে, ঘৰটোত ভূত আছে হেনো। ভূতৰ অত্যাচাৰত অতিষ্ঠ হৈ এই মানুহজনে মালয়দেশৰপৰা ভূত খেদোৱা ওজা এজন

মতাই অনালে। সেই ভূতৰ খেদন চাবলৈ ইমান মানুহ ইয়াতগোট খাইছেহি, আৰু সেয়েহে অলপ হৈ-চৈ লাগি পৰিছে।

ৰণসিংহ জমিদাৰে মালয়দেশৰ ওজাক ভালকৈ চাই ল'লে। ঘৰৰ মালিকক ওজাই ক'লে, "হেৰি, আপুনি অস্থিৰ নহ'বচোন, একদম নদমিব। মই ভূতক খেদিমেই, আৰু আপুনিও শান্ত মনেৰে এই ঘৰত থাকিব পাৰিবই।"

এই ঘৰৰ বৰ্তমান মালিক ভৰধৰ দত্তই ভেবা লাগি চাই থকাৰ পাছত ক'লে, "এয়া মোৰ দুৰ্ভাগ্যয়েই। মই সেই কাষৰীয়া ঘৰটো কিনিম কিনিম বুলি ভাবি থাকোঁতেই কোনোবা এক ৰণসিংহ জমিদাৰে সেই ঘৰটো কিনি পেলালে। যি কি নহওক—এতিয়া—এই ঘৰটোত ভূতেই থাকিবনে মই—একো ঠাৰৰ কৰিব পৰা নাই।"

ভৰধৰৰ কথাৰ উত্তৰত হঠাৎ ভূত এটাই খোনাই খোনাই কৈ উঠিল, "কি ক'লা? কাষৰীয়া ঘৰটো ৰণসিংহয়েই কিনিলেনে? এই ৰণসিংহ সিংহীগাঁৱৰ সেইটো ৰণসিংহনে কি?"

তান্ত্ৰিকে ভৰধৰলৈ চালে। ভৰধৰে তান্ত্ৰিকক ক'লে, "ভূতৰ অনুমান সঁচা। কাষৰীয়া ঘৰটো সিংহীগাঁৱৰ সেইগৰাকী

ৰণসিংহদেৱেহে কিনিলে।"

তেতিয়া ভূতটোৱে পুনৰ কৈ উঠিল, "তেনেহ'লে মোক আৰু মালয়দেশৰ ওজাই মাৰণমন্ত্ৰেৰে খেদিব নালাগে। ৰণসিংহ ইয়ালৈকো আহিলেই যেতিয়া—মই কেৱল এইটো ঘৰেই নহয়, এই দেশ এৰি গুচি যামগৈ।"

ওজাই সকলোটিলৈ চাই, মোচত তাও দি ক'লে, "দেখিলেনে—? মই কিন্তু এতিয়ালৈকো মন্ত্ৰপাঠ কৰাই নাই, এতিয়াই ভূতৰ পুতে পলাবলৈ কেনে খৰখেদা লগাই দিছে!"

ওজাৰ কথাত মজা পাই ভূতে ভেঁকৈ

কন্দাৰ দৰে হেঁ হেঁকৈ হাঁহি মাৰি কৈ উঠিল, "হেৰাহে ওৰা ধৰা ওজাৰ পো বোজা, মোক তুমি মন্তৰৰ যন্তৰ চলাই ইয়াৰপৰা খেদিবা বুলি-ভাবিছিলা যদি—সেয়া তোমাৰ ভেকো-ভাওনাহে হ'লগৈহেঁতেন। আচল কথা হ'ল—মৰাৰ আগতে মই শান্তশীলে সেই সিংহীগাঁৱৰ ৰণসিংহৰ চুবুৰীয়া হৈ আছিলোঁ, আৰু তাৰ অত্যাচাৰত জুৰুলা হৈহে গাঁও এৰি পলাবলৈ বাধ্য হৈছিলোঁ। ভূতেনো কিমান অত্যাচাৰ কৰে? মানুহৰ মাজত ভূতত-কৈয়ো সহস্ৰগুণে অত্যাচাৰী আছে, আৰু সেই দুৰ্বলীৰ বিৰুদ্ধে' ৰণ দিয়া ৰণুৰাবপুৰা ৰণসিংহ হ'ল সেই ভয়াবহ অত্যাচাৰীইঁতৰ এটা। সি এতিয়া যদি ইয়ালৈ আহিছে, আপোনালোকেও মজা এপালিকৈ পাব তাৰপৰা।"

এই কথা কোৱাৰ লগে লগেই তাত হঠাৎ ধুমুহাৰ দৰে বতাহ বলি থাকিল আৰু ভূতটো সেই বতাহৰ কোবাল বোকোচাত উঠি তাৰপৰা সাউৎকৰে ক'ৰবালৈ গুচি গ'ল।

অলপ সময় চুপচাপ থকাৰ পাছত ৰণসিংহই হুমুনিয়াহ কাঢ়ি কৈ উঠিল, "মানুহৰ মাজতে যে ভূত আছে—এই ভূতটোৱে সেই কথাটো বৰ কৈ গ'ল!"

ৰণসিংহৰ কথাৰ উত্তৰত ৰাইজৰ মাজৰপৰা এজনে কৈ উঠিল, "কথাটো হওঁতে সঁচা। ভূতৰ ভকৰা মাতে যদি আপোনাক বেজাৰ দিছে—তথাপি ভূতটোৰ কথা আখৰে আখৰে সঁচা। আচল ভূত মানুহৰ মাজতে আছে।"

এই ঘটনাৰ পাছৰপৰা ৰণসিংহৰ মাজত পৰিৰ্তন দেখা গ'ল। তেওঁ মানুহৰ বিপদ-আপদত সহায় কৰা হ'ল আৰু সকলোটিৰে সৈতে মিলা-প্ৰীতিৰে তথা সামাজিকতাৰে বসবাস কৰি আগৰ দুৰ্নাম তথা অপযশ গুচালে।

৭

উগ্ৰাক্ষৰ হাতত
ধৰা পৰা অমৰপালে
চিত্ৰসেনক জ্বালাদ্বীপবাসীইঁতৰ
সম্পৰ্কে বহুতো কথা ক'লে। ৰাজদ্ৰোহী
নাগবৰ্মাৰ সম্পৰ্কেও চিত্ৰসেনে অমৰপালৰপৰা
বহুতো তথ্য-পাতি পালে। তদুপৰি, সেই বিকট
বীভৎস চৰাইবিলাক ক'ত কেনেকৈ থাকে, সিহঁতক কোনে
কেনেকৈ পৰ দিয়ে, সেই ৰহস্যময় কথাখিনিও বন্দী অমৰপালে
চিত্ৰসেনক ভাঙি-পাতি কৈ দিলে। আৰু তাৰ পাছত·········

অমৰপালৰ কথা শুনি চিত্ৰসেনে উগ্ৰাক্ষলৈ চালে। উগ্ৰাক্ষই অমৰপালৰ প্ৰতিষাৰ কথা বিশ্বাস কৰিছিল। ভয়ংকৰ চৰাইবিলাকক মাৰি পেলোৱাত এইবাৰ উগ্ৰাক্ষ উদ্যোগী হ'ল। উগ্ৰাক্ষই অমৰপালক ক'লে, "অমৰপাল, তোমাক মই কিছুমান সৈন্য দিম, সিহঁতে তোমাক সহায় কৰিব। তুমি চৰাইবিলাক মাৰি পেলোৱা। এই কামটো সুকলমে কৰিব পাৰা যদি, তোমাক—তুমি আশা কৰাত

কৈয়ো অধিকভাৱে পুৰস্কাৰ দিয়া হ'ব।"

চিত্ৰসেনে ক'লে, "এই প্ৰসংগক্ৰমে কওঁ, কপিলপুৰ আক্ৰমণ কৰাত আমি প্ৰকৃততে সক্ষমনে অক্ষম—সেই কথাটো আমি নাভাবি-নুগুণি এই কামলৈ অবাগ বঢ়াটো কিমানদূৰ সমীচীন হ'ব—ভবা উচিত। ধৰলগিৰি আক্ৰমণ কৰিবলৈ নাগবৰ্মা আগবাঢ়ি গৈছে। সি কপিলপুৰৰপৰা বহুতো সৈন্য তাৰ লগত লৈ গ'ল। এতিয়া-এই মুহূৰ্তত কপিলপুৰত বৰ বেছি সৈন্য নাই। ঠিক এতিয়াই যদি আমি কপিলপুৰ আক্ৰমণ কৰোঁগৈ, সহজেই অধিকাৰ কৰিব পৰা যাব।"

চিত্ৰসেনৰ কথা শুনি উলাহৰ মাদলীটো হৈ উগ্ৰাক্ষই কৈ উঠিল, "চিত্ৰসেন, তোমাৰ এই প্ৰস্তাৱ মই অতি ভাল পাইছোঁ। আমি কেৱল কপিলপুৰ আক্ৰমণ তথা অধিকাৰ কৰিয়েই ক্ষান্ত নহ'ম, বীৰসিংহৰ কন্যা কান্তিমতিকো নাগবৰ্মাৰ কবলৰপৰা মুক্ত কৰিব পাৰিম। এই কামখিনি সুচাৰুৰূপে কৰিব পাৰোঁ যদি—একেটা দলিৰে দুটা চৰাই মাৰিব পৰা হ'ব। তুমি হ'লা বৰলা। অলপ দেহে-কেহে চেষ্টা কৰিলেই ৰাজ্য আৰু ৰাজকন্যা দুয়োটায়েই দুনে-মূলে আহিব।"

উগ্ৰাক্ষৰ কথা শুনি চিত্ৰসেনে মিচিকীয়াই হাঁহি তালৈ চালে। এই চাৱনিৰ মাজেদিয়েই উগ্ৰাক্ষৰ এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ অনিচ্ছা প্ৰকাশিত হ'ল। বীৰসিংহৰ ৰাজ্য অধিকাৰ কৰাটো চিত্ৰসেনৰ মনঃপূত নহয়। আৰু, কান্তিমতিৰ পিতৃৰ অনুমতি নেহোৱাকৈ কান্তিমতিক বিয়া কৰাৰ ইচ্ছাও চিত্ৰসেনৰ নাই। তদুপৰি কান্তিমতিয়ে ইতিমধ্যে যদি কাৰোবাক পতিৰূপে মনতো বৰণ কৰি লৈছে—তেনেহ'লে এইবোৰ ভবাও অন্যায়। উগ্ৰাক্ষ হ'ল ৰাক্ষস-বংশৰ; মানুহৰ সমাজৰ ৰীতি-নীতিলৈ তাৰ ৰাপ নথকাৰেই কথা। চিত্ৰসেনে ক'লে, "উগ্ৰাক্ষ, এয়া বিয়া

কৰাৰ সময় নহয়, বিয়া দেখুৱাৰ সময়। এতিয়া আমাৰ প্ৰথম কৰ্তব্য হব নাগবৰ্মাক পযু্যদস্ত কৰাটোহে। কপিলপুৰৰ সিংহাসনত বীৰসিংহ পুনৰ অধিষ্ঠিত হোৱাটোহে মই বিচাৰোঁ। কিন্তু—সেই ভয়ানক চৰাইবিলাকক যদি মাৰিব নোৱাৰোঁ, আমাৰ এইবোৰ ইচ্ছাৰ এটাও কাৰ্য্যকৰী নহ'ব।"

চিত্ৰসেনৰ কথাকিনি গভীৰ মনোযোগেৰে শুনি অমৰপালে ক'লে, "এইবোৰ ভয়নক চৰাইক মাৰি পেলোৱাৰ দায়িত্ব মোক দিয়ক। এই কাম মই পাৰিম।"

অমৰপালৰ কথাত চিত্ৰসেন. আৰু উগ্ৰাক্ষো সন্মত হ'ল। চৰাইবোৰক মাৰি পেলোৱাৰ কামত অমৰপালক সহায় কৰিবলৈ উগ্ৰাক্ষৰ দুজন অনুচৰ আৰু চিত্ৰসেনৰ চাৰিজন সৈন্য আগুৱাই গ'ল।

খোজ কাঢ়ি কাঢ়ি বহু দূৰলৈকে যোৱাৰ পাছত অমৰপাল আৰু সৈন্যকেইজনে সেই ভয়ংকৰ চৰাই আৰু সিহঁতৰ ৰক্ষকবিলাককো দেখা পাই ৰ'ল।

অমৰপালে তাৰ লগৰীয়া সৈন্যকেইজনক ক'লে, "সৌ যে জুপুৰিবিলাক দেখিছা, তাতে আছে সেই চৰাইৰিলাকৰ ৰখীয়াহঁত। সিহঁত মোৰ চিনাকি। মই সিহঁতৰ লগত কথা পাতি থাকিম, জানিব লগীয়াখিনি জানি ল'ম। আৰু সিহঁতে যেতিয়া মোৰ লগত কথা পাতি থাকিব, তেতিয়া তোমালোকে আচম্বিতে সিহঁতৰ ওপৰত জঁপিয়াই পৰি আটাইকেইটাকে কচুকটা দিবা। আৰু তাৰ পাছত আমি চৰাইবিলাকৰ মৃত্যু মহোৎসৱ পাতিম।"

তাৰ পাছত অমৰপাল চৰাইবিলাকৰ ৰখীয়াহঁত থকা চিঞৰি চিঞৰি সেই জুপুৰিবিলাকলৈ দৌৰি গৈ থাকিল আৰু এই চিঞৰ শুনি ৰখীয়াহঁত জুপুৰিৰপৰা ওলাই অমপৰালৰ ওচৰলৈ দৌৰি আহিল। সিহঁতৰ মাজত কেইজনমানে আনন্দত কিৰীলি পাৰি কৈ উঠিল, "তুমি তেন্তে

জীয়াই আছা, অমৰপাল! সিহঁতৰ খপ্পৰৰ-পৰা [কবলৰপৰা] ওলাই আহিলানো কেনেকৈ? তোমাক সিহঁতে খতম কৰি পেলালে বুলিহে ভাবিছিলোঁ।”

“খতম নিশ্চয় কৰিলেহেঁতেন ; কিন্তু সকলো তেৰাৰ আৰু তোমালোকৰ আশীৰ্বাদ। আমাৰ চৰাইবিলাক ঠিকেঠাকে আছেনে?” অমৰপালে সুধিলে।

“প্ৰতিটো চৰায়েই ঠিকঠাক আছে। আৰু—এতিয়া আমিয়েই হ'লোঁ এইখন কপিলপুৰৰ কৰমকাৰী। ন ৰজাই কপিলপুৰৰ চোৰা-চিঁতাৰ দায়িত্ব আমাৰ ওপৰত দি থৈ গৈছে। কেৰল ৰাজকুঁৱৰী কান্তিমতিক পৰ দিবলৈ কেটামান বছা বছা সৈন্য আছে প্ৰাসাদত। মহাৰাজ নাগবৰ্মা গ'ল ধৱলগিৰিৰ দখল ল'বলৈ। এইবাৰ চেং পিছল চিত্ৰসেনে ভালকৈ চেঙালুটি খাব আৰু মজা এপালি পাব। নাগবৰ্মা মহাৰাজে অৰণ্যলৈ সোমাই গৈ তাক ঘচং কৰিব। তাৰ পাছত—ৰণৰপৰা উভতি অহাৰ পাছত--মহাৰাজ চিৰিচিৰি নাগবৰ্মাদেৱে আমাৰ প্ৰতিজনকে সামন্ত ৰজা পাতিব।” সিহঁতে ক'লে।

সিহঁতৰ কথা শুনি অমৰপালে ভাল পোৱাৰ ভাও জুৰিলে। আনন্দতে অমৰপালে হাত চাপৰি বজালে। আৰু অমৰপালৰপৰা এই ইচাৰা পায়েই অমৰপালৰ লগত অহা অনুচৰহঁত লৰি আহি বিজুলীগতিৰে চৰাইৰ ৰখীয়াহঁতৰ ওপৰত নাই ৰঙামাটি নাই গুৱাহাটী বুলি জঁপিয়াই পৰি তৰোৱালেৰে ঘচাঘচ কাটি পেলালে।

আৰু তাৰ পাছত তালপাতৰ জুপুৰীত থকা চৰাইবিলাকৰ বাহত অমৰপালে নিজেই জুই লগাই দিলে। চৰাইবিলাকে বিকট আৰ্তনাদ কৰি সিহঁতক বান্ধি থোৱা লোৰ শিকলিবোৰ ছিঙি পেলাবলৈ চেষ্টা কৰি থাকিল, কিন্তু একোপধ্যে ছিঙিব নোৱাৰি জুইত পুৰি মৰিবলগা হ'ল।

এইদৰে অতি সহজেই অতি কঠিন

CHITRA



কাম কৰাৰ আনন্দত অমৰপাল আৰু তাৰ লগৰীয়া সৈন্যইঁতে তপিনাত গোৰ লগাই নাচিবলৈ ধৰিলে।

আৰু ঠিক তেতিক্ষণেই পাহাৰ ভেদ কৰি ভেৰীৰ শব্দ উঠিল। সেই শব্দলৈ অমৰপালে ঘূৰি চালে আৰু সৈন্যকেইজন ক'লে, "মহাৰাজ চিত্ৰসেন আৰু উগ্ৰাক্ষক সৈন্যবাহিনীৰে সৈতে আগুৱাই আহিব ধৰিছে। তেওঁলোকে নিশ্চয় জুইৰ শিখা আৰু গুলুমবন্ধা ধোঁৱা দেখি ইয়ালৈ আহিব ধৰিছে। দুজনমান লৰি যোৱা আৰু সকলো কথা কোৱাগৈ।"

কিন্তু অতি দ্ৰুতগতিৰে সসৈন্য চিত্ৰসেন আৰু উগ্ৰাক্ষো অমৰপালৰ কাষ চাপিলহি। তেতিয়ালৈকো চৰাইবিলাকৰ জুপুৰীবোৰ লৌ লৌকৰে জ্বলি আছিল, গুলুম বন্ধা ধোঁৱাই মেঘৰ দৰে আকাশলৈ গতি কৰিছিল। ভয়ংকৰ চৰাইবিলাকৰ এনে অপমৃত্যু চাই উগ্ৰাক্ষ আনন্দত মতলীয়া হৈ উঠিল। উগ্ৰাক্ষই অমৰপালৰ কাষ চাপি গৈ, অমৰপালক ক'লে. "অমৰপাল. তুমি সঁচাসঁচিকৈ বীৰ বীৰেই হয়। এতিয়া আৰু মোৰ ৰাজ্যত কোনো শত্ৰুৰ ভয় নাথাকিল। তোমাক কি লাগে কোৱা, যি খুজিবা তাকে দিম মই।"

"আপুনি মোক এৰি দিয়ক, নহ'লে—আপোনাৰ মৰমেই মোৰ কামীহাড় কিডালি গুড়ি কৰি পেলাব।" অমৰপালে কাতৰ কণ্ঠেৰে ক'লে।

উগ্ৰাক্ষই অমৰপালক আকৌ এপাক পকাই, শূন্যত দলিৰ দৰে দলিয়াই তাৰ পাছত পুনৰ খপকৈ ধৰি মাটিত থিয় কৰাই সুধিলে, "এতিয়া কোৱাচোন-চৰাই এটাও পলাই যোৱা নাই নিশ্চয়?"

"চৰাই বা চৰাইবিলাকৰ ৰখীয়াইঁতবো আৰু চিন-মোকাম নাই। চব খেল্ খতম, চব বিপদ হজম। কেৱল প্ৰাসাদত কিছুমান জ্বালাদ্বীপিয়া সৈন্যই ৰাজকুঁৱৰী কান্তিমতিক পৰ থি বৈ থকাৰ কথা

শুনিছোঁ।” অমৰপালে ক’লে।

“চা—ব্বাইচ! চাব্বাইচ অমৰপাল! তোমাৰ কামৰ জৰাব নাই। আৰু প্ৰাসাদৰ জ্বালাদ্বীপিয়াকেইটাক এতিয়াই জোল ওলোৱা কৰিমগৈ ৰ’বা।” উগ্ৰাক্ষই লাহেকৈ অমৰপালৰ পিঠিত শলাগণিৰ চাপৰ মাৰি দিয়াৰ লগে লগেই অমৰপালে ‘আইঔ’ বুলি চিয়ঁৰ এটি মাৰি ধুপচ্‌কৈ মাটিত বহি দিলে।

ইমানপৰ ধৰি চিত্ৰসেনে কাণ্ড-কাৰ্খণা নীৰৱে চাই আছিল।

এইবাৰ তেওঁ ক’লে, “তেনেকৈ ৰাজ-প্ৰাসাদ আক্ৰমণ কৰিলে ৰাজকুঁৱৰী কান্তি-মতিৰ বিপদ হ’ব পাৰে। ৰাজপ্ৰাসাদৰ দায়িত্ব মোৰ ওপৰত এৰি দিয়া, উগ্ৰাক্ষ।”

“অঁ—এঁ? হোঁ—। সঁচ্‌চা, ৰাজ-কুঁৱৰী কান্তিমতিৰ কথাটো পাহৰিয়েই আছিলোঁ। ঐ—” উগ্ৰাক্ষই তাৰ অনুচৰ-হঁতক ক’লে, “এইটো কথা তহঁতে ৰাজপ্ৰাসাদ আক্ৰমণ কৰোঁতে মনত ৰাখিবি যে—তাতেই আছে তহঁতৰ ভৱিষ্যৎ-ৰাণী।” উগ্ৰাক্ষই চিত্ৰসেনলৈ চাই হাঁহিলে।

তাৰ পাছত, চিত্ৰসেনৰ নিৰ্দেশমতে অমৰপালে দহজন অশ্বাৰোহী সৈন্যৰে কপিলপুৰলৈ বুলি আগবাঢ়িল।

চিত্ৰসেন আৰু উগ্ৰাক্ষৰ সৈন্যহঁতে



খাই-বৈ জিৰণি ল’বলৈ যো-জা কৰি থাকোঁতেই সৈন্য এজন দ্ৰুতগতিৰে উভতি আহিল আৰু চিত্ৰসেনক ক’লে, “মহাৰাজ, বিৰাট বিপদ! বাঘছাল পিন্ধা প্ৰায় পঞ্চাছটা জ্বালাদ্বীপিয়াই ৰাজকুঁৱৰী কান্তি-মতিক দোলাত উঠাই অৰণ্যৰ ফালে লৈ যাব ধৰিছে।”

এই কথা শুনিয়েই চিত্ৰসেন আৰু উগ্ৰাক্ষই পৰস্পৰলৈ চালে। চিত্ৰসেনে ভাবিলে: চৰাইৰূপী বিকট প্ৰাণীবিলাকক মাৰি পেলোৱাৰ খবৰটো নিশ্চয় প্ৰাসাদত থকাহঁতে, পালে। সেই ঠাইৰপৰা ওলোৱা জুইশিখা আৰু গুলুমবন্ধা আকাশলংঘা

ধোঁৱাই সিহঁতক কথাটো একপ্ৰকাৰে কৈয়েই দিলে। এতিয়া ৰাজপ্ৰাসাদ আক্ৰান্ত হ'ব বুলি ভাবি—ৰাজকুঁৱৰী কান্তিমতিক আঁতৰাই লৈ যাবলৈ চেষ্টা কৰিছে।

চিত্ৰসেনে বছা বছা পঞ্চাছজনমান ৰণুৱাক লগত লৈ জ্বালাদ্বীপিয়াহঁতে ৰাজকুঁৱৰী কান্তিমতিক লৈ যোৱা অৰণ্যলৈ বুলি ৰাওনা হ'ল। অনুচৰবিলাকক লগত লৈ উগ্ৰাক্ষও চিত্ৰসেনৰ পিছে পিছে গৈ থাকিল। আৰু—

চিত্ৰসেনৰ নিৰ্দেশ মতে কিছুমান সৈন্য লৈ অমৰপালো তৎক্ষণাৎ ৰাজপ্ৰাসাদলৈ বুলি আগবাঢ়িল।

বাৰ্তাবাহক অশ্বাৰোহী আছিল একেবাৰে আগশাৰীত। সিয়েই বাট দেখুৱাই আগবঢ়াই লৈ গৈছিল এই বিৰাট সৈন্য বাহিনীক।

বহু দূৰলৈকে আগবাঢ়ি যোৱাৰ অন্তত বাঘছাল পিন্ধা কেইটামান জ্বালাদ্বীপিয়াই হাতত মাৰাত্মক অস্ত্ৰ লৈ দোলা এখন কঢ়িয়াই লৈ যোৱা দেখা গ'ল। সিহঁতৰ আগে-পিছে ভালেমান সশস্ত্ৰ জ্বালাদ্বীপিয়া তালক তালে খোজ পেলাই বাট বুলি বুলি গৈ আছিল।

সিহঁতৰ চৰ্দাৰে ৰাজকুঁৱৰীৰ দোলা ৰখাবলৈ আদেশ দিলে। দোলাখন নমাই থোৱাৰ পাছত চৰ্দাৰে কঠোৰ দৃষ্টিৰে সকলো জ্বালাদ্বীপিয়ালৈ চাই ক'লে, "আমাৰ দেহাত বিন্দুমান তেজ থাকোঁতেও ৰাজকুঁৱৰী কান্তিমতিক কোনেও লৈ যাব নোৱাৰে যেন। আমাৰ মান্যবৰ মহাৰাজ নাগবৰ্মাৰ নিৰ্দেশ হ'ল যে—তেনেকুৱা পৰিস্থিতিয়ে যদি দেখা দিয়ে—আনকি কান্তিমতি ৰাজকুঁৱৰীক মাৰি পেলাব লাগিব—তথাপি আনে যেন ৰাজকুঁৱৰীক একোপধ্যে লৈ যাব নোৱাৰে। মনত ৰাখিবা, এয়া স্বয়ং মান্যবৰ মহাৰাজ নাগবৰ্মাৰ কঠোৰ আদেশ!" [অহা সংখ্যাত

পালী চাই ৰাগ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, জগতৰ কিছুমান মানুহে আন মানুহক প্ৰশংসাৰ পাকত পেলাই নিজৰ কাম আদায় কৰি লয়। কিন্তু বুদ্ধি থকা মানুহে পালী চাই ৰাগ টানিব লাগে। এনে প্ৰশংসাৰ পাকত পেলোৱাহঁত কেৱল মানুলেই নহয়, ৰাক্ষসহঁতো এই বিষয়ত পিছ পৰি থকা নাই। উদাহৰণস্বৰূপে মই তোমাক ৰাক্ষস এটাৰ কাহিনী ক'ম। এই কাহিনী শুনি শুনি বাট বুলিলে তোমাৰ পথশ্ৰম কিঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

‘বেতাল-কথা’

চতুৰসেন নামৰ ৰজা এজনে পৃথিৰীৰ বিভিন্ন দেশ জয় কৰি নিজক সম্ৰাট হিচাপে ঘোষণা কৰিছিল। ৰজা চতুৰসেনে প্ৰজাৰ মংগলৰ বাবে যথেষ্ট শ্ৰম কৰিছিল। ৰংগনগৰত ৰজাই ৰাজধানী পাতিছিল।

*

এদিন ৰাজধানী ৰংগনগৰলৈ তালগছৰ দৰে ওখএটা ৰাক্ষস আহিল। ৰাক্ষসটোৱে নগৰৰ সোঁমাজত থিয় হৈ গমগমীয়া মাতেৰে হুংকাৰি ক'লে, "শুনিছনে নাই—? এই দেশৰ ৰজাটো ক'ত আছে?"

ৰাক্ষসটোৰ আকৃতি, প্ৰকৃতি আৰু কাণ তালেমৰা মাত শুনি প্ৰজাৰ কথা বাদেই, আনকি ৰজাৰো ভয়তে পেটত হাত-ভৰি লুকাল।

ৰাক্ষসটোৱে পুনৰ গৰ্জি উঠি ক'লে, "হেৰা ৰজা, শুনিছানে নাই—? কাণৰ মলি গুচাই শুনা, মই মন কৰিলে ভৰিৰে গছকি তোমাৰ এই ৰাজধানী গুড়ি কৰি পেলাব পাৰোঁ। শুনা, কাণত কাপোৰ দি থকাৰ ভাও নুজুৰিবা, শুনা, প্ৰতিদিন ঠিক এই সময়ত ইয়ালৈ আহিম আৰু দুটাকৈ সুস্থ নোদোকা কোমল মঙহাল মানুহ খাম। মই উৎপতীয়া খাইকহ নহওঁ। আশা কৰোঁ এইকণ বন্দৰস্ত মোৰ কাৰণে কৰিবা।"

ৰজা চতুৰসেনে গমিলে যে এই ৰাক্ষসৰ বিৰুদ্ধে থিয় দিয়াৰ দাঁত তেওঁৰ নাই আৰু নহ'ব। এতেকে চতুৰ ৰজাই ৰাক্ষসটোৰ কথাত হয় দিলে। আৰু তেতিয়াই সেই বিৰাট বিশাল ৰাক্ষসটোৱে দুজন স্বাস্থ্যৱান সুস্থ প্ৰজাক ৰজাৰ সমুখৰপৰা ধৰি লৈ গুচি গ'ল।

*

ৰজা চতুৰসেনে তেওঁৰ মন্ত্ৰীসকলৰ লগত এই বিষয়ে আলোচনা কৰাৰ অন্তত ঘোষণা কৰিলে যে, পূৰ্ব-ঘোষিত অস্ত্ৰ-চালনাৰ প্ৰতিযোগিতা স্থগিত থাকিল। আৰু যিজনে ৰাক্ষসটোক মাৰি পেলাব

পাৰিব তেওঁক এই দেশৰ ৰজা পতা হ'ব।

এই ঘোষণাৰ পাছত দেশৰ বিভিন্ন প্ৰান্তৰপৰা অহা বহু সংখ্যক যুৱকে ৰজাক ক'লেহি, "মহাৰাজ, সেই ৰাক্ষসটো অসীম ক্ষমতাশালী। এজোপা বৰগছক উঘালি পেলাব পাৰি, এখন নৈৰ গতিপথো পৰিৱৰ্তিত কৰিব পাৰি; কিন্তু—এই ৰাক্ষসটোক বধ কৰিব নোৱাৰি।"

এজন যুৱকে ক'লে, "মহাৰাজ, এই ৰাক্ষসটো ক'তো বেছি দিনলৈ নাথাকে; যদিও দেশৰ কাৰণে খুব সম্ভৱতঃ কিছুমান প্ৰজাই আত্মাহুতি দিবই লাগিব।"

*

কিন্তু ৰজা চতুৰসেনে দিনে-নিশাই ভাবি থাকিল যে কেনেকৈ ৰাক্ষসটোক বেৰ মাৰিব পাৰি, ইয়াৰ কবলৰপৰা ৰেহাই পাব পাৰি। তথাপি যথাৰীতি, সিদিনাও ৰাক্ষসটো আহিল আৰু ৰজাই দুজন প্ৰজাক ৰাক্ষসটোক দিবলগীয়া হ'ল।

*

অৱশেষত এদিন ৰজাই ৰাক্ষসটোক বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হ'ল; বিনা-যুদ্ধে তেওঁ আৰু এজন প্ৰজাকো ৰাক্ষসটোক নিদিবলৈ প্ৰতিজ্ঞা ল'লে। কিন্তু মন্ত্ৰীবৰ্গই ৰজাক ক'লে যে ৰাক্ষসটোৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অৰ্থ হ'ব সম্পূৰ্ণ বিনাশ।

মন্ত্ৰীবৰ্গৰ কথা শুনি শাম্ব নামৰ এজনে ৰজাক ক'লে, "মহাৰাজ, তৰৱাৰিৰে মোক সহজেই পৰাজিত কৰিব পাৰি; কিন্তু মন্ত্ৰশক্তিৰ ক্ষেত্ৰত মই অপৰাজেয়। মই ৰাক্ষসটোৰ বিৰুদ্ধে মন্ত্ৰবলেৰে যুঁজি চাব পাৰোঁ। মোক অনুমতি দিয়ক।

*

সেই দিনাই সন্ধ্যাকালত, শাম্বই এটি বিগ্ৰহ সাজি, সেই বিগ্ৰহৰ আগত পানা-সনত বহিল আৰু মন্ত্ৰেৰে ৰাক্ষসটোক বধিবলৈ মন্ত্ৰ মাতিবলৈ ধৰিলে। কিন্তু মন্ত্ৰ উচ্চাৰণ কৰাৰ অলপ পাছতেই শাম্বই নিজেই তেজ বঁতিয়াই মৰিল। আৰু

তাৰ পাছদিনাও ৰাক্ষসটোৱে নিয়মমতে আহি তাৰ প্ৰাপ্য তুজনক লৈ গুচি গ'ল।

●

শাম্বই মন্ত্ৰশক্তিৰে ৰাক্ষসটোৰ একো অনিষ্ট কৰিব নোৱাৰাত মন্ত্ৰীবৰ্গ ই পুনৰ আলোচনা কৰি, অপৰাজিত নামৰ বিখ্যাত বেজক মতাই অনাই ক'লে, "ৰাক্ষসৰ কথা তুমিও নিশ্চয় শুনিছা। এদিন হয়তো তোমাক সি খাবলৈ ধৰি লৈ যাব। কিন্তু—তাৰ আতেই তুমি তাক বিষ প্ৰয়োগ কৰি কেনেবাকৈ মাৰি পেলাব নোৱাৰিবানে?"

"মোৰ ওচৰত থকা কালকূট বিষ প্ৰয়োগ কৰিলে জগতৰ যিকোনো প্ৰাণী—সেই প্ৰাণী যিমানেই শক্তিমান নহওক—মৰিবই।" অপৰাজিত বেজে মাননীয় মন্ত্ৰীবৰ্গক ক'লে।

"ৰাক্ষস মৰিবনে নমৰে তাকে কোৱা!" এগৰাকী মন্ত্ৰীয়ে অধৈৰ্য্য ভাৱেৰে বেজৰ মুখত ধৰি ক'লে।

"কালকূট বিষ খায়ো যদি নমৰে, তেনেহ'লে সি নিশ্চয়েই হ'ব অমৰ।" বেজে বেজবেজালে।

*

মন্ত্ৰীৰ আদেশত অপৰাজিত বেজে কালকূট বিষ আনি দিলে। সেই দিনা যি তুজন যুৱক ৰাক্ষসৰ পেটলৈ যাব, সেই তুজনক মহামন্ত্ৰীয়ে ক'লে, "এই বিষ তোমালোকে লৈ যাবা, আৰু ৰাক্ষসটোৱে তোমালোকক কোৱাৰ আগ মুহূৰ্তত এই বিষখিনি তোমালোকে খাবা। তোমালোকৰ মৰণ এনেও হ'ব তেনেও হ'ব।"

পিছে—তোমালোকে এই বিষ খোৱাৰ পাছত যেতিয়া ৰাক্ষসটোৱে তোমালোকক খাব, তেতিয়া ৰাক্ষসটোও মৰিব, আৰু দেশখনৰ অসংখ্য মানুহে তোমালোকৰ এই আত্মাহুতিক সুঁৱৰি থাকিব। তোমালোক হ'বা—অমৰ ছহীদ। যুগ-

যুগান্তি পুত পুতান্তি ধৰি তোমালোকক দেশৰ ৰাইজে ছহীদ হিচাপে পুজিব।”

*

পাছদিনা যথানিয়মে ৰাক্ষস হুটাই এই তুজনক লৈ গ'ল আৰু সিহঁত তুজনক ৰাক্ষসটোৱে খাবলৈ লোৱাৰ আগত মুহূৰ্তত মন্ত্ৰীৰ কথা মতে তুয়োজনেই কালকূট বিষ খালে। ৰাক্ষসেও পাছ মুহূৰ্ততেই তুয়োকো চোবাই খালে। কিন্তু এই কালকুট বিষেও ৰাক্ষসটোৰ একো অনিষ্ট কৰিব নোৱাৰিলে। আৰু পাছদিনাও সি ৰজাৰপৰা প্ৰাপ্য খাজনা লৈ গ'লহি।

*

তেতিয়া ৰজা চতুৰসেনে তেওঁৰ মন্ত্ৰী-সেনাপতি, আত্মীয়-স্বজন আৰু ৰাণীকো এঠাইত গোট খুৱাই ক'লে, “পৃথিৱীৰ বিভিন্ন দেশ জয় কৰি মই নিজক সম্ৰাট হিচাপে ঘোষণা কৰিছিলোঁ। কোনো দেশৰ মোক কোনো ৰজাই মোকো দিনে পৰাজিত কৰিব পৰা নাছিল। অথচ—এটা ৰাক্ষসে মোক বেয়াকৈ অপদস্থ কৰিছে—এই অসন্মান অসহ্য। সেয়েহে কালিলৈ মই তাক বধ কৰিবলৈ চেষ্টা কৰিম। এই পৃথিৱীত হয় সি থাকিব, নহ'লে মই সম্ৰাট হৈ থাকিম। হয় কাইলৈ সি মোৰ হাতত মৰিব, নহ'লে কালিলৈয়েই মই তাৰ হাতত মৰিম।”

ৰজাৰ বিষম কথাত ভীষণ উদ্বিগ্ন

হৈ সকলোটিয়েই ৰজাক ৰাক্ষসৰ বিৰুদ্ধে যুদ্ধ নকৰিবলৈ অনুৰোধ কৰিলে। কিন্তু তথাপি ৰজাই দৃঢ়তাৰে ক'লে, "মই যদি ৰাক্ষসটোক মাৰি পেলাব পাৰোঁ, নিজক প্ৰকৃত সম্ৰাট হিচাপে গণ্য কৰিব পাৰিম ; নহ'লে—এইদৰে, অপমানিত হৈ সম্ৰাট হৈ থকাতকৈ মৃত্যুৱেই শ্ৰেয়ঃ। এই অৱস্থা মোৰ সহ্যৰ বাহিৰ।"

তেতিয়া আৰু কোনেও একো নক'লে ৰজাক। হাজাৰ হওক ৰজা। ৰজাৰ কথাৰ কিমান প্ৰতিবাদ কৰিব পাৰিনো ?

*

পাছদিনা যথা সময়ত ৰাক্ষসটো আহিল তাৰ প্ৰাপ্য ল'বলৈ। তেতিয়া ৰজা চতুৰসেনে ৰাক্ষসটোক ক'লে, "শুনা ৰাক্ষস, মই পৃথিৱীত প্ৰায় প্ৰতিজন ৰজাক আক্ৰমণ কৰি, পৰাজিত কৰি, সম্ৰাট হ'লোঁ। সম্ৰাটৰ কৰ্তব্য হ'ল প্ৰজা পালন, প্ৰজাৰ মাৰণ নহয়। এতিয়াৰপৰা তুমি এদিনো মোৰ কোনো প্ৰজাক ধৰি লৈ যাব বা খাব নোৱাৰিবা। যদি মোৰ কথা অমান্য কৰা, তেনেহ'লে তোমাৰ বিৰুদ্ধে যুদ্ধ কৰিহে মই এই প্ৰশ্নৰ মীমাংসা কৰিম। তোমাৰ বিৰুদ্ধে যুদ্ধ কৰি যদি মোৰ মৃত্যু হয়, তেতিয়া তুমি এই দেশৰ ৰজা হ'বা।" এই বুলি কৈয়েই ৰজাই তেওঁৰ তৰোৱালখন খাপৰপৰা উলিয়াই আনিলে।

আৰু ৰাক্ষসটোৱে সম্ৰাট চতুৰসেনক মেকুৰী এটাক থাপ মাৰি ধৰা দি ধৰি, লাহেকৈ দাঙি, তাৰ মুখৰ ওচৰলৈ আনি, সুধিলে, "তুমি মোক মাৰি পেলোৱাৰ খেল খেলিবা বুলি ভাবিছানে কি ?" কথাটো সুধিয়েই সম্ৰাট চতুৰসেনক ৰাক্ষসটোৱে তাৰ হাতৰ তলুৱাৰ ওপৰত পুতলা এটাৰে দৰে থিয় কৰালে।

আৰু সম্ৰাট সেই মুহূৰ্ততে ওঁৰ তৰোৱালখন ৰাক্ষসটোৰ হাতৰ তলুৱাত সুমুৱাই দিলে।

ৰাক্ষসটোৱে সম্রাটৰ তৰোৱালখন হাতৰ তলুৱাৰপৰা উলিয়াই আনি দলিয়াই পেলালে আৰু চতুৰসেনক ক'লে, "তোমাৰ সাহস চাই মই অবাক মানিছোঁ। গোটেইখন পৃথিৱীত তোমাৰ মান বীৰ আৰু সাহিয়াল ৰণুৱা-বনুৱা আন এজনো নাই। তোমাৰ দৰে বিষম সাহসী মানুহ এটাক লগ পাই মই ভাল পাইছোঁ। কাইলৈৰপৰা কোনোদিনে মই তোমাৰ দেশলৈ নাহোঁ। মোৰ কথা শিলৰ ৰেখা। তুমি মোৰ কথাত নিঃচিন্ত থাকিব পাৰা।"

ৰাক্ষসৰ কথাত বিস্মিত সম্রাট চতুৰসেনে ক'লে, "কোৰাচোন বাৰু—প্ৰকৃততে তুমি কোন? তুমি ক'ৰপৰা আহিছা? কিয় আহিছা? আমাৰ দেশলৈ আহিছিলা; যাবাইবা কিয়—কোৱাচোন?"

অতবোৰ প্ৰশ্নৰ উত্তৰত ৰাক্ষসটোৱে ক'লে, "মই আচলতে পাতাললোকত থাকোঁ। তাত যিমান ৰকমৰ বিদ্যা আছে— মই সকলো শিকি সাং কৰিলোঁ। আজিকোপতি কোনেও কেতিয়াও মোক পৰাজিত কৰিব পৰা নাছিল। সেই কাৰণে, পাতাল-ৰজাই মোক তেওঁৰ সেনাপতি পাতিছিল। কিন্তু মই এঠাইত অধিক দিনলৈ থাকিব নোৱাৰোঁ, থাকি থাকি থাকৰি নোহোৱা হৈ পৰোঁ, আমনি পাওঁ। মোৰ এই স্বভৰৰ কাৰণে মই বহু দেশ ভ্ৰমিলোঁ। কিন্তু তোমাৰ

দৰে সাহসী ক'তো-কেনিও-কদাপি পোৱা নাছিলোঁ। মোৰ বিৰুদ্ধে অস্ত্ৰ দাঙি ধৰা প্ৰাণী—কেৱল তুমিহে। তোমাৰ শলাগ লৈছোঁ মই। আৰু এইবাৰ পাতাললোকলৈ বুলি পুনৰ খোজ লৈছোঁ।" এই বুলি কৈয়েই সেই ৰাক্ষসটো পাতাললৈ গুচি গ'ল আৰু ৰজায়ো স্বস্তি পালে।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে পুনৰ ক'লে, "হে ৰজা, আক্ৰমণকাৰী চতুৰসেনক ৰাক্ষসটোৱে ইমান ভদ্ৰভাৱে এৰি দিয়াৰ কাৰণ কি আছিল। চতুৰসেনে ৰাক্ষসটোৰ হাতৰ তলুৱাত তৰোৱালেৰে ক্ষত কৰিলে, তথাপি কিয় ৰাক্ষসটোৱে চতুৰসেনক মাৰি নেপেলালে? কিয় সি চতুৰসেনক বীৰ বুলি কৈ শলাগৰ শৰাই আগবঢ়ালে? তোমাৰপৰা এইবোৰ প্ৰশ্নৰ সঠিক উত্তৰ পাম বুলি আশা কৰিছোঁ। মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব এই কথা ধ্ৰুৱ বুলি জানিবা।"

*

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে "ৰাক্ষসৰ বীৰত্বৰ স্বীকৃতি স্বৰূপে তাক সেনাপতিৰ বাব দি পাতালৰজাই তেওঁৰ সিংহাসন ৰক্ষা কৰিছিল। নহ'লে ৰাক্ষসটোৱে পাতালৰজাক পৰাজিত কৰি পাতালৰ সিংহাসন অধিকাৰ কৰিলেহেঁতেন। ৰাক্ষসটো নিজেও প্ৰকৃততে সাহসী। সাহসীয়ে সাহসীৰ শলাগ লয়, কেতিয়াও অনিষ্ট নকৰে। সেয়েহে, ৰাক্ষসে দুঃসাহসী চতুৰসেনক বধ নকৰি, মুক্তি দান কৰি, প্ৰশংসা কৰি, পুনৰ পাতাললোকলৈ গুচি গ'ল।"

*

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

আমাৰ দ'ল-দেৱালয়

চামুণ্ডেশ্বৰী

সুপ্ৰাচীনকালত এক ভয়ংকৰ অসুৰ আছিল। তেওঁৰ নাম মহিষাসুৰ। নিজৰ ক্ষমতাৰে তেওঁ তিনিও লোকত নিজৰ আধিপত্য স্থাপন কৰিছিল।

দেৱতাসকলে বহুবাৰ তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিলে; কিন্তুদেৱতাসকল প্ৰতি-বাৰেই পৰাজিত হ'ল আৰু মহিষাসুৰ জয়ী হ'ল। মহিষাসুৰৰ বিক্ৰমেৰে সমগ্ৰ ভূমণ্ডল কঁপি উঠিল। এই মহিষাসুৰে অসংখ্য সাধু-সজ্জনকো বিভিন্ন ভাৱে নগুৰ-শাস্তি দিছিল।

মহিষাসুৰৰ অত্যাচাৰৰপৰা ৰেহাই পাবলৈ দেৱতাসকলে বিষ্ণুক খাটিলে। বিষ্ণুৱে তেওঁলোকক এখন যজ্ঞ পাতিবলৈ কোৱাত যজ্ঞ পাতি যজ্ঞকুণ্ডৰ চাৰিও-ফালে উপবেশন কৰিলে আৰু এই যজ্ঞ-কুণ্ডৰপৰা দুৰ্গাদেৱীৰ আবিৰ্ভাৱ ঘটিল।

দেৱাদিদেৱ মহাদেৱে দুৰ্গাদেৱীক তেওঁৰ ত্ৰিশূলপাট দিলে, ইন্দ্ৰই দিলে বজ্ৰায়ুধ। প্ৰতিগৰাকী দেৱতায়েই দুৰ্গাদেৱীক বিভিন্ন ধৰণৰ অস্ত্ৰ-শস্ত্ৰ দিলে। আৰু অসংখ্য মাৰাত্মক অস্ত্ৰশাস্ত্ৰেৰে সুসজ্জিতা হৈ সিংহৰ পিঠিত উঠি দুৰ্গাদেৱীয়ে বিন্ধ্য পৰ্বতলৈ বুলি যাত্ৰা কৰিলে।

দুৰ্গাদেৱীৰ অপৰূপ ৰূপৰ কথা শুনি মহিষাসুৰে তেওঁক বিবাহ কৰাবলৈ ইচ্ছা প্ৰকাশ কৰি দুৰ্গাদেৱীৰ ওচৰলৈ দূত প্ৰেৰণ কৰিলে। দুৰ্গাদেৱীয়ে মহিষাসুৰৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাত মহিষাসুৰৰ ক্ৰোধাগ্নি ।জ্বলি উঠিল।



দুৰ্গাদেৱীক ধৰি আনিবলৈ মহিষাসুৰে বহু সংখ্যক অনুচৰ পঠালে। কিন্তু সিহঁতক দুৰ্গাদেৱীয়ে হেলাৰঙে বধিলে। আৰু তেওঁ তিনিও লোকতে পূজিতা হ'ল।

মহিষাসুৰক বধ কৰাৰ অন্তত দুৰ্গাদেৱী এটা পৰ্বতত অলপ পৰলৈ বিশ্ৰাম কৰিছিল। পৰৱৰ্তীকালত সেই পৰ্বত পৱিত তীৰ্থস্থানৰূপে পৰিগণিত হ'ল।

এই পৰ্বত মহীশূৰ চহৰৰপৰা তেৰ কিল'মিটাৰ দূৰৈত অৱস্থিত। এই পৰ্বতৰ নাম হ'ল চামুণ্ডী পৰ্বত। এই পৰ্বতৰ ওপৰত লোকমাতা দুৰ্গাদেৱী চামুণ্ডেশ্বৰীৰ মন্দিৰ নিৰ্মিত হৈছিল।

সমুদ্ৰসমতলৰপৰা ৩৪৮৯ ফিট উচ্চতাত অৱস্থিত এই মন্দিৰলৈ যাওঁতে এহেজাৰ খটখটি বগাই যাব লাগে। মহাবালেশ্বৰৰ মন্দিৰো চামুণ্ডী পৰ্বতৰ ওপৰত অৱস্থিত।



এই পৰ্বতৰ ওপৰলৈ যাওঁতে প্ৰকাণ্ড এক নান্দীৰ বিগ্ৰহ দেখা যায়। এই বিগ্ৰহ এচটা শিলেৰে খোদিত হৈছে। নান্দীৰ ডিঙিত থকা টিলিঙাৰ মালাধাৰো বিস্ময়কৰ, যেনিবা বেলেগে লো-ৰে সজোৱা হৈছে। এই মালাধাৰ দেখি তীৰ্থযাত্ৰী দৰ্শকসকল অভিভূত হয়।

চামুণ্ডেশ্বৰী মন্দিৰত সোণৰ সিংহাসনৰ ওপৰত দেৱীদুৰ্গাৰ বিগ্ৰহ প্ৰতিষ্ঠিত। এই মন্দিৰৰ চতুৰ্দিশৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতি অনুপম তথা মনোহৰ।





আগতে, এই পৰ্বতৰ ওপৰলৈ যাবলৈ কোনো ধৰণৰ খটখটি নাছিল। তথাপি, বহু কষ্ট সহ্য কৰিও ভক্তসকল মন্দিৰলৈ গৈছিল। ইয়াত দুৰ্গাপূজাৰ সময়ত নৱৰাত্ৰিৰ উৎসৱ অনুষ্ঠিত হয়। তেতিয়া দেশৰ বিভিন্ন প্ৰান্তৰপৰা ইয়ালৈ অসংখ্য ভক্ত তথা তীৰ্থযাত্ৰীৰ সমাবেশ ঘটে।

পঞ্চব্যাঘ্ৰাসুৰ

চীনদেশত বহু শতিকাৰ আগতে চ্যাং নামৰ এজন দুখীয়াৰো দুখীয়া যুৱক আৰু তাৰ মাক আছিল। সি বনৰপৰা খৰিকাঠ বুটলি আনি, সেই খৰি হাটত বেচি, কথমপি পেট প্ৰৱৰ্তাইছিল।

এবাৰ জাৰকালি পাহাৰৰ নামনিত ডাঠ বাঁহনিৰ কাষতে বহি চ্যাঙে তাৰ বুটলি অনা খৰিকাঠ বান্ধি থাকোঁতে হঠাৎ বাঁহনিৰপৰা গোঙনিৰ শব্দ শুনি চ্যাং চৰখৰীয়াত পৰা যেন পালে।

কান্ধত কুঠাৰখন লৈ চ্যাঙে বাঁহপতীয়া খাঁহনি পাৰ হৈ সেই অটব্য বাঁহনিৰ কাষ চাপিল। এতিয়া সেই কাতৰ গোঙনিৰ শব্দ অধিক স্পষ্টকৈ শুনি পোৱা হ'ল। তাৰ পাছত সি এখোজ-দুখোজকৈ সাৱধানতাৰে বাঁহনিৰ ভিতৰলৈ সোমাই গ'ল। কেইবছৰমান আগতে এই বাঁহনিৰ বাঁহ কটা হৈছিল, আৰু তাৰ ফলত এতিয়া সৰু সৰু বাঁহে গজালি মেলিছে, আগলিবোৰ আছিল যাঠিৰ দৰে জোঙা।

আৰু এয়ে আছিল সেই গোঙনিৰ কাৰণ। চ্যাঙে বাঁহনিৰ ভিতৰলৈ সোমাই গৈ তাত এজনী বাঘিনীয়ে গোঙাই থকা দেখা পালে। বাঘিনীৰ হাতোৰাত বাঁহৰ গোঁজ বিন্ধি তাইক শলঠেকত পেলাইছে।

পোনতে বাঘ দেখি চ্যাঙৰ বাঘৰ বুকুলৈ যোৱা যেন লাগিল। কিন্তু বাঘিনীৰ গোঙনি শুনি আৰু বাঁহৰ গোঁজ বিন্ধা হতোৰাৰ অৱস্থা দেখি তাৰ মনত বাঘিনীলৈ পুতৌ উপজিল। চ্যাং পোনে পোনেই ঘৰলৈ লৰি গ'ল আৰু তাৰ মাকক ক'লে, "মা, এজনী বাঘিনীৰ

হাতোৰাত বাঁহৰ গোঁজ নে গজালিয়ে বিন্ধিলে. তাই যন্ত্ৰণাত অস্থিৰ হৈ পৰিছে, তাইক যেনেতেনে বাঁহনিৰপৰা উলিয়াই আনিব লাগিব। তুমিও ব'লা, সোনকালে ব'লা. নহ'লে তাই মৰিও যাব পাৰে।"

"যাম বাৰু, ৰঃ, অলপ দেৰাই লৈ যাব লাগিব।" চ্যাঙৰ মাকে ক'লে।

তাৰ পাছত দুয়ো সেই বাঘিনী থকা বাঁহনিলৈ গ'ল। গৈ বাঘিনীৰ হাতোৰাৰ-পৰা গোঁজেই গজালি হোৱা কুটা কটা বাঁহৰ বেজি যেন জোঙা আগলি উলিয়াই আনিলে। বাঘিনীয়ে মাটিত তাইৰ নাক ঘঁহি, কৰুণ চাৱনিৰে মাক-পুতেকলৈ কৃতজ্ঞতা প্ৰদৰ্শন কৰিলে।

তাৰ পাছত চ্যাঙৰ মাক চিয়াঙে বাঘিনীৰ হাতোৰাত দেৱাই লগাই দিলে, আৰু দেৱাই লগাওঁতে বাঘিনীক ক'লে, "আই, তুমি হ'লা বনৰ ৰাণী, মন কৰিলে যি ইচ্ছা কৰিব পাৰা। আমি দুখীয়াৰো দুখীয়া, আৰু সেয়েহে মোৰ ল'ৰাটোক কোনেও ছোৱালী নিদিয়া হ'ল। তুমি মোৰ ল'ৰাটোৰ বাবে কইনা এজনী যোগাৰ কৰি দিয়ানা, আই। মই বুঢ়ী হ'লো, কেতিয়া কালফুৰা আহিব, মাতিব, গুচি যাব লাগিব। তেতিয়া মোৰ ল'ৰাটোক কোনেনো চোৱা-মেলা কৰিব?"

বহু দিনৰ অন্তত, জাৰৰ দিনত, বিয়াৰ কইনা এজনীক দোলাত উঠাই দোলাভাৰীহঁতে কঢ়িয়াই লৈ গৈ আছিল —য'ত বিয়া হোৱাৰ কথা, তালৈ। দোলাৰ আগে-পিছে বিভিন্ন বয়-বস্তুৰে সৈতে বহু মানুহ আছিল। হঠাৎ ক'ৰবাৰ-পৰা গোঁ গোঁৱাই সিহঁতৰ আগত ওলালাহি পাঁচটা বাঘ। আৰু একেলগে পাঁচটা বাঘ দেখি মানুহবিলাক ছাগৰ দৰে হৈ গ'ল আৰু যি যেনিয়েদি পাৰিলে পলাল। সিহঁত পলাই যাওঁতে কইনাৰে সৈতে দোলা বাটৰ ওপৰত পেলাই থৈ গৈছিল।

এই ঘটনা ঘটাৰ অলপ সময়ৰ অন্তত

কাঠকটীয়া চ্যাঙৰ ঘৰৰ দুৱাৰত ধকিউৱাৰ শব্দ উঠিল। চ্যাঙে দুৱাৰ খুলি দিলে আৰু তাত এক অপূৰ্ব ৰূপৱতী যুৱতীক থিয় হৈ থকা দেখা পাই হতবাক হৈ পৰিল। যুৱতীৰ পিছফালে থিয় হৈ আছিল পাঁচটা বাঘ। গোটেই কথা-কাণ্ডখিনি সপোন সপোন যেন লাগিল।

যি কি নওহক, চ্যাঙে এইজনী বিয়াৰ কইনাক বিয়া কৰালে। চ্যাঙৰ মাকে বোৱাৰীক বৰ আদৰ-যত্ন কৰিলে। বিয়াৰ পাছত সিহঁতহাল সুখেতই আছিল।

কিন্তু খণ্ডে-দুখে ক'লা পৰিছিল পাহাৰৰ সিপাৰত থকা চ্যাঙৰ শহুৰেক। এটা কাঠকটীয়াৰ লগত তেওঁৰ দৰে ধনী-মানী এজনৰ জীয়েকৰ বিয়া হোৱাৰ কথা তেওঁ কল্পনাও কৰিব পৰা নাছিল। তেওঁ বিচাৰকৰ ওচৰত গোচৰ তৰিলেগৈ: চ্যাঙে তেওঁৰ জীয়েকক জোৰ কৰি ধৰি লৈ গ'ল আৰু ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰালে।

বিচাৰকে চ্যাঙক মতাই পঠালে। চ্যাঙে বিচাৰকক সেই বাঁহনিৰ বাঘিনীৰ-পৰা আৰম্ভ কৰি সকলো কথা ক'লে, আৰু বাঘ পাঁচোটাই লৈ অহা কইনাক বিয়া কৰালে বুলি মন্তব্য কৰিলে। কিন্তু বিচৰাকে এনে আজগবী কাহিনী বিশ্বাস নকৰি চ্যাঙে সঁচা কথা নোকোৱালৈকে তাক সৌকাৰে কোবাই থাকিবলৈ নিৰ্দেশ দিলে। কোবোৱাৰ ফলত মৰিলেও মৰক।



চ্যাঙৰ মাকে বিচাৰকক ক'লে, "মোৰ ল'ৰাটোৰ দোষ নাই। লাগিলে সাক্ষী হিচাপে বাঘবিলাকক লৈ আহিব পাৰোঁ।"

বিচাৰক এই প্ৰস্তাৱত সন্মত হোৱাত চ্যাঙৰ মাক পোনে পোনেই বনলৈ গ'ল আৰু অলপ পাছত পাঁচোটা বাঘৰে সৈতে পুনৰ বিচাৰালয় পালেহি। এটা নহয় দুটা নহয় পাঁচটা বাঘ দেখি বিচাৰালয়ৰ ভিতৰে-বাহিৰে যিমান মানুহ আছিল থৰ-কাছুটি হেৰুৱাই পলাই সাৰিলে। কিন্তু বিচাৰক পলাব নোৱাৰিলে। তেওঁ ভয়তে ঠক ঠককৈ কঁপি বাঘবিলাকক সুধিলে, "তোমালোকেইনে ?" বাঘবিলাকে তলা-ওপৰাকৈ মূৰ দুপিয়ালে। বিচাৰকে বাধ্যত পৰি চ্যাঙক বেকছুৰ মুক্তি দিলে।

কিছুদিনৰ পাছত শত্ৰুসৈন্যই এই দেশ আক্ৰমণ কৰাৰ কথা জানিব পাৰি ৰজা বিমোৰত পৰিল। ৰজাৰ ভয়-পাতুৰা অৱস্থালৈ লক্ষ্য কৰি মহামন্ত্ৰীয়ে ৰজাক চ্যাঙ আৰু পাঁচটা বাঘৰ কথা সোঁৱৰাই দিলে। ৰজাই চ্যাঙক মতাই অনাই ক'লে, "শুনা চ্যাং, তোমাৰ অলৌকিক ক্ষমতাৰ সম্পৰ্কে বহুতো প্ৰশংসামূলক কথা মই শুনিছোঁ। বিদেশী সৈন্যহঁতে আমাৰ দেশ আক্ৰমণ কৰিবলৈ ওলাইছে। সিহঁতক তুমি খেদিব পাৰা যদি—তোমাক এই দেশৰ সেনাপতিৰ বাব দিম।"

এদিন প্ৰকৃততেই বিদেশী সৈন্যহঁত এইখনদেশৰ ওপৰত জঁপিয়াই পৰিলহি। শত্ৰুসৈন্যই ৰাজধানী আক্ৰমণ কৰিলেহি।

আৰু চ্যাঙে তাৰ পাঁচটা বাঘক লগত লৈ শত্ৰু-বাহিনীক খেদি গ'ল। ইমান-বোৰ জীয়া বাঘ দেখি শত্ৰুসৈন্যহঁত সাত চেউৰীৰ লৰ দি পলাল। দেশ শত্ৰুমুক্ত হ'ল। তাৰ পাছত দেশৰ ৰজাই তেওঁৰ প্ৰতিশ্ৰুতি মতে চ্যাঙক সেনাপতিৰ বাব দিলে। তেতিয়াৰপৰা চ্যাঙৰ নাম হ'ল 'পঞ্চব্যাঘ্ৰাসুৰ'।

উত্তৰ-ৰামায়ণ

৪

কুবেৰে তেওঁৰ মন্ত্ৰী শুক্ৰ আৰু প্ৰোষ্ঠপদক লগত লৈ ৰাৱণক ক'লেলৈ, "হেৰ দুৰাত্মা, মই ইমানকৈ কোৱা কথাখিনি তোৰ কাণতো নোসোমালনে? অজ্ঞানে বিষক্ৰিয়া আৰম্ভ নোহোৱালৈকে বিষৰ মৰ্ম বুজি নাপায়। তোৰো অৱস্থা তেনেকুৱাই হ'ল। তই কি কৰি আছ, সেই জ্ঞান-বুদ্ধি তোৰ নাই। তোৰ এই কাৰ্য্যৰ ফলত তই নিশ্চয়েই নৰকযাতনা ভুঞ্জিবি। কিন্তু এতিয়া তোক এইবোৰ ধৰ্মকথা কোৱা বৃথা।"

কিন্তু ৰাৱণ কুবেৰৰ কথাত অলপো প্ৰভাৱিত নহ'ল বা নদমিল। বৰঞ্চ ৰাৱণে কুবেৰৰ লগত দ্বন্দ্বযুদ্ধ আৰম্ভ কৰিলে। কুবেৰে যিমানবোৰ অস্ত্ৰ ৰাৱণলৈ এৰিছিল, ৰাৱণে সেইবোৰ হেলাৰঙে বিনষ্ট কৰি পেলাইছিল। তাৰ পাছত ৰাৱণে মায়াযুদ্ধ কৰি থাকিল। কুবেৰে তেওঁৰ দৃষ্টিৰ আগত বহুতকে দেখা পালে; কিন্তু ৰাৱণক বিচাৰি নাপালে। মায়াযুদ্ধত কুবেৰ পৰ্য্যুদস্ত হৈ পৰিল। তাৰ পাছত ৰাৱণে হঠাৎ কুবেৰৰ মস্তকত টাঙোনেৰে সজোৰে আঘাত কৰিলে। সেই প্ৰচণ্ড আঘাত সহিব নোৱাৰি কুবেৰ ৰক্তাক্ত অৱস্থাত মাটিত লুটি খাই পৰিল। কুবেৰৰ এই অৱস্থা দেখি দেৱতাবৃন্দই কুবেৰক নন্দনবনলৈ লৈ গ'ল আৰু তাত চিকিৎসা তথা শুশ্ৰূষা কৰিবলৈ ধৰিলে।

নান্দী তালৈ গ'ল আৰু নান্দীয়ে ৰাৱণক ক'লে, "হে দশগ্ৰীৱ, তুমি এতিয়াই ইয়াৰপৰা গুচি যোৱা। এই পৰ্বতোপৰি স্বয়ং শিৱ ক্ৰীড়াৰত। সেই হেতুক ইয়াত— এই পৰ্বতত সুপৰ্ণ, নাগ, যক্ষ, দৈত্য, দানৱ আৰু ৰাক্ষসাদি ইতৰ প্ৰাণীৰ প্ৰবেশ সম্পূৰ্ণৰূপে নিষিদ্ধ।"

নান্দীৰ কথা শুনি, অট্টহাঁহিৰে গগন কঁপাই, ৰাৱণে ক'লে, "সেই শিৱনো কোন—? কিমাননো তাৰ ক্ষমতা?" এই বুলি কৈ, পুষ্পক ৰথৰপৰা নামি আহি পৰ্বতৰ পাদদেশলৈ গৈ ৰাৱণে ত্ৰিশূল হাতত লৈ দ্বিতীয় শিৱৰ দৰে থিয় হৈ থকা নন্দীশ্বৰক দেখা পালে। নন্দীশ্বৰৰ মুখখন দেখাত আছিল হুবহু বান্দৰমুৱা নন্দীশ্বৰক দেখি ৰাৱণে হো হোৱাই হাঁহি উঠিল।

তেতিয়া নন্দীশ্বৰে ৰাৱণক ক'লে, "মোৰ মৰ্কট মুখ দেখি তোমাৰ হাঁহি উঠিল, নহয়? মনত ৰাখিবা, এই হাঁহনেই তোমাৰ কান্দোন হ'বগৈ। মোৰ দৰে মৰ্কট মুখীয়াহঁতেই তোমাক আৰু তোমাৰ বান্দৰৰ দৰে। বংশকো নিৰ্মূল কৰিব।" নন্দীশ্বৰে ৰাৱণক অভিশাপ দিলে।

কিন্তু এনেবোৰ মৰ্কটৰ অভিশাপলৈ অলপো গুৰুত্ব প্ৰদান নকৰি ৰাৱণে

মায়াযুদ্ধত কুবেৰক পৰাস্ত কৰাৰ পাছত পুষ্পক ৰথত উঠি ৰাৱণ শৰবনলৈ গ'ল। শৰবনৰ ওচৰত থকা পৰ্বত সোণহেন জিলিকি আছিল। এই জিলিকি থকা পৰ্বতক আন এটা সূৰ্য্যৰ দৰে লাগিছিল। ৰাৱণে সেই পৰ্বত পাৰ হৈ যাবলৈ ধৰোঁতে পুষ্পক ৰথখনে হঠাৎ ৰৈ দিলে। বিস্মিত বিভ্ৰান্ত ৰাৱণে ভাবিলে: কথানো কি? মই য'লৈকে যাম, পুষ্পকো যাব। ই হঠাৎ ৰৈ দিলে কিয়? ৰাৱণে তেওঁৰ লগত গৈ থকা মন্ত্ৰীবৰ্গক এনে বিস্ময়কৰ ঘটনাৰ হেতু কি—সুধিলে।

ইতিমধ্যে—ঈশ্বৰৰ পাৰ্শ্বচৰ, মহাবলী

ক'লে, "এই পৰ্বতে মোৰ পুষ্পক ৰথৰ গতিপথ ৰুদ্ধ কৰা হেতুকে মই এই পৰ্বতক নিচ্ছিন্ন কৰি পেলাম। মই যে কিমান ভয়ংকৰ তুমি চাগে' নাজানা।" এই বুলি কৈ ৰাৱণে গোটেই পৰ্বতটোক হাতেৰে উপাৰি পেলাবলৈ ধৰিলে।

ইমান সময় ধৰি যিবোৰ কথা-কাণ্ড চলি আছিল, সেইবোৰলৈ চাই শিৱই মজা পাই হাঁহি আছিল। কিন্তু ৰাৱণে পৰ্বতটোক উংপাৰি অনাত শিৱই তেওঁৰ ভৰিৰ বুঢ়া আঙুলিৰে পৰ্বতটোক অলপ হেঁচি ধৰিলে। আৰু তাৰ ফলত পৰ্বতটো পুনৰ নামি যোৱাত ৰাৱণৰ এখন হাত পৰ্বতৰ তলত চেপেটা খাই পৰিল। ৰাৱণ যন্ত্ৰণাত আৰ্তনাদ কৰি উঠিল। ৰাৱণৰ মন্ত্ৰীহঁতে ৰাৱণক ক'লে "মহাৰাজ, আপুনি শীঘ্ৰে শিৱস্তোত্ৰ উচ্চাৰ কৰক, শিৱক সোঁৱৰক, শিৱলৈ প্ৰাৰ্থনা কৰক। নহ'লে আৰু উপায় নেদেখিছোঁ।"

হাতখন পৰ্বতৰ তলত তলত চেপা খাই থকা অৱস্থাতে ৰাৱণে শিৱস্তোত্ৰ উচ্চাৰণ কৰি, শিৱক সুঁৱৰি, শিৱলৈ প্ৰাৰ্থনা কৰি থাকিল।

তেতিয়া শিৱই ৰাৱণৰ প্ৰতি কিঞ্চিৎ-মান সদয় হৈ চেপা খোৱা হাতখন উলিয়াই অনাৰ সুবিধা দিলে আৰু ৰাৱণক ক'লে, "তোমাৰ বীৰত্ব চাই মই তুষ্ট হৈছোঁ। তোমাৰ স্তোত্ৰ শুনি মই প্ৰীত হৈছোঁ। তোমাৰ নাম চিৰকাল ধৰি অক্ষয় হৈ থাকিব। এতিয়া তুমি য'লৈকে মন যায় যাব পাৰা।"

তেতিয়া ৰাৱণে ক'লে, "হে শিৱ! মোৰ প্ৰতি দয়াৱান হৈছাই যেতিয়া—মোক মোৰ প্ৰাৰ্থিত বৰ দিয়া। ইতিমধ্যেই—বিভিন্ন দেৱতাৰ তুষ্টিবিধান কৰি মই অমৰত্বৰ বৰ লাভ কৰিছোঁ। তুচ্ছ মানৱক মই তৃণাদপিও গণ্য নকৰোঁ। মানুহে মোৰ একো অনিষ্ট কৰিব নোৱাৰিব। তাৰ কাৰণে মই ভাবিত নহওঁ। যদিও

ব্ৰহ্মাৰপৰা দীৰ্ঘায়ু হোৱাৰ বৰ লাভ কৰিছোঁ, তথাপি তোমাৰপৰা ততোধিক আয়ুস প্ৰাৰ্থনা কৰিছোঁ, আৰু লগতে তোমাৰপৰা ভালৰো ভাল এপাট অস্ত্ৰও পাবলৈ আগ্ৰহী হৈছোঁ।"

শিৱই ৰাৱণক সৰ্বাধিক আয়ুস আৰু চন্দ্ৰহাস খড়্গ প্ৰদান কৰি ক'লে, "ৰাৱণ, কেতিয়াও এই খড়্গৰ অৱমাননা নকৰিবা। যিদিনা এই খড়্গৰ সামান্যতম অৱমাননাও হ'ব, সিদিনাৰপৰা এই খড়্গই আৰু তোমাৰ হৈ কাম নকৰিব। এই খড়্গ মোৰ ওচৰলৈ উভতি আহিব।"

শিৱৰপৰা দীৰ্ঘায়ুৰ প্ৰাপ্ত হৈ আৰু খড়্গ পাই ৰাৱণে পুষ্পক ৰথত উঠি সমগ্ৰ ভূমণ্ডলত ভ্ৰমি ফুৰিবলৈ তথা ৰাজ্য জয় কৰিবলৈ ধৰিলে। অসংখ্য শক্তিমান ৰজাক ৰাৱণে হেলাৰঙে পৰাজিত কৰিলে, আৰু সেই দেখি কম শক্তিসম্পন্ন ৰজা-সকলে ৰাৱণৰ ওচৰত দলে দলে উপযাচি আত্মসমৰ্পণ কৰিলে।

পৃথিৱীৰ বিভিন্ন ৰজাক পৰাজিত কৰাৰ অন্তত ৰাৱণ হিমালয়লৈ গ'ল, আৰু তাত এক অপূৰ্ব ৰূপৱতী দেৱস্ত্ৰীক দেখা পালে। সেই গৰাকী দেখাত অসাধাৰণ ৰূপৱতী ; কিন্তু মূৰত আছিল জঁটা আৰু পিন্ধনত বল্কল [গছৰ ছাল]। ৰাৱণে সেই ৰূপৱতীক সুধিলেগৈ, "হে সুন্দৰী, তুমি এগৰাকী পূৰ্ণযৌৱনা অপৰূপ ৰূপৱতী নাৰী, তোমাক দেখা-মাত্ৰেই যিকোনো পুৰুষ সম্মোহিত হৈ পৰিব। কিন্তু এনে গাভৰু কালতে তুমি কিহলৈনো ইমান কঠিন ব্ৰত উদ্‌যাপন কৰিছা ?"

ৰাৱণৰ প্ৰশ্নৰ উত্তৰত সেই পৰমা-সুন্দৰীয়ে ৰাৱণক ক'লে ঃ

বৃহস্পতিৰ পুত্ৰ কুশধ্বজ হ'ল মোৰ পিতৃদেৱ। মোৰ নাম বেদৱতী। অসংখ্য গন্ধৰ্ব, যক্ষ আৰু ৰাক্ষসে মোক বিবাহ কৰাবলৈ মোৰ পিতৃৰ কাষ চাপিছিল ; কিন্তু তেওঁ সন্মত হোৱা নাছিল। দেউতাৰ

মনৰ ইচ্ছা ঃ স্বয়ং বিষ্ণুৰ সৈতে মোৰ বিবাহ। দেউতাৰ এই ইচ্ছাৰ কথা জানিব পাৰি দম্ভ নামৰ ৰাক্ষসে মোৰ দেউতাক নিদ্ৰামগ্ন অৱস্থাত বধিলে। মোৰ মাতৃ দেউতাৰ সহগামিনী হ'ল। তাৰ পাছত, দেউতাৰ ইচ্ছা পূৰণৰ অৰ্থে, মই বিষ্ণুক মোৰ পতি ৰূপে হৃদয়ত বৰণ কৰি, তপস্যাত ব্ৰতী হৈছোঁ। মই সকলো কথা সবিস্তাৰে ক'লোঁ, হে ৰাৱণ, এতিয়া তুমি ইয়াৰপৰা গুচি যোৱা।'

বেদৱতীৰ কথাখিনি শুনি, খন্তেকমান ভাবি লৈ, বেদৱতীৰ কাষ চাপি গৈ ৰাৱণে বেদৱতীক ক'লে, "বেদৱতী, এয়া নিতান্ত আবেগ। আবেগৰ বশৱৰ্তী হৈহে তুমি এনে কঠোৰ ব্ৰত পালিছা। তিনিও লোকত তোমাৰ মান সুন্দৰী, অন্ততঃপক্ষে মই দেখা নাই। তুমি কিয় অবাবতে তোমাৰ যৌৱনৰ অপচয় কৰিছা? মোৰ নাম দশগ্ৰীৱ। মই স্বৰ্ণলংকাৰ অধিপতি। তুমি মোক বিবাহ কৰি অপাৰ সুখ ভোগ কৰিব পাৰা। বিষ্ণু কোন—? মোৰ যিমান ক্ষমতা আছে, ঐশ্বৰ্য্য আছে, তপস্যাৰ ফল আছে—বিষ্ণুৰ মাজত তাৰ ভগ্নাংশ ভাগো নাই।"

"তোমাৰ যৎসামান্য বোধ-বুদ্ধি থকাহেঁতেনো বিষ্ণুৰ প্ৰতি এনে অশোভন মন্তব্য নকৰিলাহেঁতেন।" বেদৱতীয়ে ৰাৱণক ক'লে।

এই কথা কোৱাৰ লগে লগে ৰাৱণে অতি উগ্ৰ ৰূপ ল'লে আৰু ক্ৰুদ্ধা বেদৱতীয়ে নিজৰ হাত এখনক তৰৱাৰি কৰি নিজৰ কেশৰাশি কাটি পেলালে। বেদৱতীয়ে খঙতে জুই শিখাহেন জ্বলি উঠিল আৰু আৰু ৰাৱণক ক'লে, "নীচ। অধম! পামৰ! ইমান অপমানৰ পাছত মই আৰু জীয়াই নাথাকোঁ, এই জুইত আত্মাহুতি দি পুনৰ জনম গ্ৰহণ কৰি পতিব্ৰতা হ'ম আৰু তোমাৰ মৃত্যুৰ আয়োজন কৰিম।" এই বুলি কৈ, বেদৱতীয়ে তৎক্ষণাৎ সেই

ঠাইত জুইত আত্মজাহ দিলে।

পৰৱৰ্তীকালত সেইজনী সতীবেদৱতী সীতা ৰূপে জনমি ৰাৱণৰ মৃত্যু ঘটাইছিল।

বেদৱতীয়ে জুইত আত্মজাহ দিয়াৰ পাছত ৰাৱণ বিভ্ৰান্ত-বিমূঢ় পুনৰ পুষ্পক ৰথোপৰি আৰোহণ কৰিলে। আৰু চাৰিওদিশত ভ্ৰমি থাকিল।

দেৱতাসকলক আমন্ত্ৰণ কৰি মৰুত্ত ৰজাই যজ্ঞ পাতিছিল আৰু এই যজ্ঞ পৰিচালনা কৰি আছিল বৃহস্পতিৰ ভায়েক সংৱৰ্তই। পুষ্পক ৰথৰপৰা ৰাৱণ মৰুত্ত ৰজাই পতা এই যজ্ঞথলীত নামি আহিল।

ৰাৱণক দেখা পায়েই তাত উপস্থিত থকা ডাঙৰ দেৱ-যক্ষসকলে ৰূপ সলাই পেলালে। ইন্দ্ৰ হ'ল ময়ুৰ, যম হ'ল ঢোঁৰা কাউৰী, কুবেৰ হ'ল জেঠি আৰু বৰুণে হাঁহৰ ৰূপ ধাৰণ কৰিলে। অন্যান্য দেৱতাবৃন্দয়ো ততাতৈয়াকৈ বিভিন্ন পশু-পক্ষীৰ ৰূপ ল'লে।

ৰাৱণে পোনে পোনেই মৰুত্তক সুধিলেগৈ, "তুমি মোৰ বিৰুদ্ধে যুদ্ধ কৰিবানে আত্মসমৰ্পণ কৰিবা? এই মুহূৰ্ততে কথাৰ দিয়া।"

মৰুত্তই ক'লে, "তোমাক দেখোন চিনি নাপালোঁ। তুমিনো কোন?"

ৰাৱণে অট্টহাহিৰে যজ্ঞস্থলী কঁপাই ক'লে, "তুমি ৰাৱণকো চিনি নোপোৱানে? দশগ্ৰীৱ ৰাৱণৰ পৰাক্ৰমৰ কথা নজনা কোনোবা এটা ত্ৰিভুৱনত আছে দেখি ৰং পাইছোঁ। এয়া চোৱাঁ, মোৰ ককাই কুবেৰক পৰাজিত কৰি এই পুষ্পক ৰথ মই কাঢ়ি ল'লোঁ।"

মৰুত্তই ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "জেষ্ঠ্য-ভ্ৰাতা হ'ল পিতৃতুল্য। তুমি ইমানেই নীচনে? আজি মই মোৰ ধনু-কাঁড়েৰে তোমাক বধিম।"

কিন্তু সংৱৰ্তই মৰুত্তক বাধা দি ক'লে, "মহাৰাজ, মোৰ কথা শুনা। এয়া হ'ল মহেশ্বৰ যজ্ঞ। কেনেবাকৈ আধৰুৱা হৈ

থাকিলে বংশ নাশ হ'ব। আৰু—এই দশগ্ৰীৱ ৰাৱণ হ'ল দুৰ্জয়!"

গুৰুৰ কথাত মৰুত্তই ধনু কাঁড় এৰি পুনৰ যজ্ঞ কৰিবলৈ উপবেশন কৰিলে। ৰাৱণৰ মন্ত্ৰীয়ে কৈ উঠিল, "এয়ে হ'ল শক্তিমন্ত ৰাৱণৰ জয়।"

তাৰ পাছত, তাত থকা কিছুমান মুনি-ঋষিক নাকনি-কাননি খুৱাই ৰাৱণ যেতিয়া গুচি গ'ল, তেতিয়া পশু-পক্ষীৰ ৰূপ লোৱা দেৱতাসকলে নিজ নিজ ৰূপ ধাৰণকাৰী পশু-পক্ষীবিলাকক বৰ দিলে। আগতে ময়ূৰৰ বৰণ আছিল ক'লা। বৰ পাই হ'ল বাৰেবৰণীয়া। যমৰ বৰ পাই কাউৰী হ'ল ব্যাধিমুক্ত। বৰুণৰ বৰত হাঁহে ধুনীয়া দেহ পোৱা হ'ল।

আৰু ইপিনে ৰাৱণে মৰুত্ত মহাৰাজক যি প্ৰশ্ন কৰিছিল, দুষ্মন্ত, সুৰথ, গাধী, গয়, পুৰূৰৱ প্ৰমুখকো সেই একেটাই প্ৰশ্ন কৰিলে। আৰু ডাঙৰ ডাঙৰ ৰজা-মহাৰজাই ৰাৱণৰ ওচৰত পূৰ্ণৰূপে বশ্যতা স্বীকাৰ কৰিলে।

কিন্তু অযোধ্যাৰ ৰজা অনৰণ্যই ৰাৱণৰ ওচৰত বশ্যতা স্বীকাৰ নকৰা হ'ল। ৰজা অনৰণ্যই ৰাৱণক যুদ্ধলৈ আহ্বান জনালে। এই যুদ্ধত অনৰণ্যৰ সৈন্যসকল পকৰা মৰাদি ৰাৱণৰ হাতত মৰিল। মহাৰাজ অনৰণ্যই ৰাৱণৰ বিৰুদ্ধে সন্মুখ-সমৰ চলাই থাকোঁতে ৰাৱণৰ হাতৰ আঘাতেৰে ৰথৰপৰা বাগৰি পৰি তেওঁৰ মৃত্যু হ'ল। মৃত্যুৰ আগ মুহূৰ্তত অনৰণ্যই ৰাৱণক অভিসম্পাত দিলে, "ৰাৱণ, আমাৰ ইক্ষাকু বংশৰ কোনোবা এজনৰ হাততে তোমাৰ অতি অৱশ্যেই মৃত্যু হ'ব।"

এইদৰে ভ্ৰমি ফুৰোঁতে এদিন ৰাৱণে নাৰদমুনিক পালে। নাৰদে ৰাৱণক ক'লে, "বোপা ৰাৱণ, তোমাৰ শক্তি তথা পৰাক্ৰমলৈ চাই মই বিস্মিত, অভিভূত। পিছে—এটা কথাত মই একেবাৰে ভাল নোপোৱা হৈছোঁ। দেৱতায়ো বিস্থলত

তোমাক বধিব নোৱাৰিব—তেনেস্থলত সামান্য নৰ-মনিচৰ ওচৰত তোমাৰ এই প্ৰতাপ প্ৰদৰ্শন কৰি ফুৰিছা কিয় ? এনেয়ে মানুহৰ দুঃখ-শোক অন্তহীন। মানুহ ৰোগ-ব্যাধিৰ দাস, মানুহৰ জীৱন-যৌৱন ক্ষণস্থায়ী, জনম লোৱাৰ কেইবছৰমানৰ পাছতেই মানুহে বাৰ্দ্ধক্যৰ ডেওনা পায়হি। এনেহেন নগণ্য মানুহৰ বিৰুদ্ধে তোমাৰ দৰে বীৰে অস্ত্ৰধাৰণ কৰাটো শোভনীয় বা সমীচীননে ? সিহঁতক যমে দেখোন ইচ্ছামতে লৈ যায়। পিছে—এটা কথা তুমি যদি কেনেবাকৈ সেই যমৰজাটোক পদানত কৰিব পাৰা, তেনেহ'লে তুমি হ'বা নৰলোকৰ নৰকপতি—আৰু যমৰো যম।"

নাৰদৰ কথাৰ উত্তৰত ৰাৱণে ক'লে, "হে নাৰদমুনি, মই স্বৰ্গলোক, পাতাল-লোক জয় কৰাৰ পাছত তৃতীয়লোক জয় কৰিম বুলি ভাবিছোঁ। আৰু তাৰ পাছত সমুদ্ৰ মন্থন কৰি মই সেই অমৃত উদ্ধাৰ কৰিম।"

নাৰদ মুনিয়ে মিঠাকৈ হাঁহিৰে মুখখন উজলাই ক'লে, "হাতৰ মুঠিত থকা যম-লোক এৰি ইমান দূৰলৈ কিয় যোৱা ? আগতে যমলোক অধিকাৰ নকৰা কিয় ?"

ৰাৱণে ক'লে, "বেয়া কথা কোৱা নাই, হে নাৰদ! মই এতিয়াই যম-লোকলৈ ৰাওনা কৰিম। যমলৈ সকলোটিয়ে ভয় খায়, সকলোটিৰ প্ৰাণ তাৰ হাতৰ মুঠিত। এতিয়া—মই ৰাৱণে যমৰ প্ৰাণ ল'বলৈ যাম।" এই বুলি কৈ, নাৰদক নমস্কাৰ কৰি মন্ত্ৰীসকলৰে সৈতে ৰাৱণ দক্ষিণ দিশলৈ আগবাঢ়ি গৈ থাকিল।

আৰু যিগৰাকী যমে আনৰ প্ৰাণ লৈ গান গায়, সেইগৰাকী যমক ৰাৱণে কেনেকৈ কি কৰে—চাবলৈ নাৰদো এখোজ-দুখোজকৈ নৰকলৈ গ'ল।

লাভ আৰু লোভ

মায়াপুৰ গাঁৱত বিশ্বনাথ নামৰ এটি দুখীয়া ল'ৰা আছিল। সি ওপজোঁতেই তাৰ মাক মৰিল, পাঁচ বছৰ বয়সত দেউতাককো সাপে খুটি মাৰিলে।

এনেহেন জনম-দুৰ্ভগীয়াক আনকি তাৰ কোনো আত্মীয়-স্বজনে ঠাই নিদিয়া হ'ল। গাঁৱৰ ৰাইজে তাৰ দ্বাৰা ইটো-সিটো-বহুতো কাম কৰোৱাইছিল, আৰু তাৰ পৰিৱৰ্তে এমুঠি-দুমুঠি খাবলৈ দিছিল। কেতিয়াবা কেতিয়াবা বিশ্বনাথ নোখোৱা-কৈয়ো নথকা নাছিল; কিন্তু যেৱে যি কাম কৰিবলৈ দিছিল, কৰিছিল সি।

বিশ্বনাথে কাম-বন বৰ নিয়াৰিকৈ আৰু তৎপৰতাৰে কৰে অতি বিশ্বস্ততাৰে কৰে। সকলোটিয়েই তাক পুতৌ কৰি এসাজ-দুসাজ খাবলৈ দিয়া হ'ল।

এইদৰে দিন যায়, মাহ উকলে, বছৰ বাগৰে। আৰু এসময়ত বিশ্বনাথেও যৌৱনৰ মৌবনত ভৰি দিলে।

মায়াপুৰৰ গাঁওবুঢ়া ধৰ্মদাস আছিল বিশ্বনাথৰ প্ৰতি মৰমিয়াল। বিশ্বনাথে স্থায়ীভাৱে কিবা এটা কৰাটো গাঁওবুঢ়া ধৰ্মদাসে বিচাৰে।

এদিন ধৰ্মদাস গাঁওবুঢ়াই বিশ্বনাথক ক'লে, "চোৱা বিশ্বনাথ, তুমি খুব পৰিশ্ৰমী। কিন্তু লোকৰ ঘৰে ঘৰে খাই ফুৰাটো ভাল কথা নহয়। নিজৰ পেট নিজেই প্ৰৱৰ্তোৱাৰ বাবে কিবা এটা নকৰা কিয়? মোৰ ভালেমান গাই-ম'হ আছে। তুমি সিহঁতৰ মাজৰপৰা বছা বছা চাৰিটামানক লৈ যোৱা, পাছত সিহঁতৰপৰা পোৱা গাখীৰ বেচি কাৰবাৰত

মুকুলপ্ৰভা শৰ্মা

গাখীৰৰ যোগান দিয়া, ময়ো। পিছে— আমি দুয়োজনেই যে গাখীৰৰ কাৰবাৰ কৰি আছোঁ; সেই কথাটো মনত ৰখা আৱশ্যক। আমি গাখীৰৰ ধৰমশালা পতা নাই। কিন্তু তোমাৰ কাৰবাৰৰ ধৰণ-ধাৰণ দেখি এনেহে লাগে যে তুমি বাস্তৱিকতে ধৰমশালাহে পাতিছা। তুমি খাঁটি গাখীৰ দিয়া. আৰু কম দাম লোৱা। এনেকৈ কিয়নো ব্যৱসায় নষ্ট কৰিছা? এনেকৈ লোকক লাই নিদিবাচোন। মোৰ কথা শুনা। মই তোমাতকৈ বয়সতো ডাঙৰ, বুদ্ধিতো। প্ৰথমতে—গাখীৰ কদাপি পানী নিমিহিলোৱাকৈ নেবেচিবা। আৰু দ্বিতীয়তে—দাম বঢ়াবা। চাবা—তোমাৰ কিমান লাভেই লাভ হয়।"

ধৰা। মোৰ গাই-ম'হৰ দাম বহুদিনৰ পাছত দিলেও হ'ব।"

বিশ্বনাথে গাঁওবুঢ়া ধৰ্মদাসৰ এই মৰমৰলৈ সন্মান তথা কৃতজ্ঞতা জ্ঞাপন কৰিলে আৰু চাৰিজনী খীৰঁতী ম'হ লৈ গ'ল। আৰু তাৰ পাছত সি ধৰিলে গাখীৰৰ কাৰবাৰত। বিশ্বনাথে নিৰ্ভেজাল গাখীৰ বেচিছিল। আৰু আনতকৈ কম দামতে বেচিছিল, এই গাঁৱৰে কালিদাস নামৰ গাখীৰৰ কাৰবাৰীয়ে গাখীৰত আধামান পানী মিহলাই বেচিছিল।

এদিন কালিদাসে বিশ্বনাথক ক'লে, "ভাই বিশ্বনাথ, এইখন গাঁৱত তুমিও

বিশ্বনাথে কালিদাসক ক'লে, "মই ওপজাৰেপৰা ইয়াত আছোঁ, ইয়াতে ডাঙৰ-দীঘল হৈছোঁ। এইখন গাঁৱৰ সকলোটিয়েই মোৰ আপোন। তেওঁলোকলৈ যোগান দিয়া গাখীৰত মই কেনেকৈ পানী মিহলাওঁ? মই যেনেকৈ বেপাৰ কৰি আছোঁ, তেনেকৈয়েই কৰি থাকিম।"

মায়াপুৰ গাঁৱৰ কমলনাথৰ ছোৱালী-জনীৰ বিয়াত বিশ্বনাথে দেহে-কহে খাটিছিল। তাৰ ফলত কমলনাথো বিশ্বনাথৰ প্ৰতি মৰমিয়াল হৈ পৰিছিল।

এদিন কমলনাথে বিশ্বনাথক সুধিলে, "বিশ্বনাথ, কেনে আছা ? তোমাৰ গাখীৰৰ কাৰবাৰ কনে চলিছে কোৱাঁ।"

"গাখীৰৰ কাৰবাৰ—" বিশ্বনাথে ক'লে, "গাখীৰ বেচি যি পাওঁ, ম'হ চাৰিজনীক খুৱাওঁতেই খৰচ হৈ যায়। এনেকৈ যে কিমান দিনলৈ চলাব পাৰিম, ক'ব পৰা নাই।"

এই কথা শুনি কমলনাথে ক'লে, "বিশ্বনাথ, যদি গাখীৰৰ কাৰবাৰত লাভ হোৱা নাই, তুমি মোৰ মাটিত খেতি-বাতি কৰি বেচিব পাৰা। খেতি-বাতি কৰিলে তোমাৰ নিশ্চয় লাভ হ'ব।"

এই কথাত বিশ্বনাথ ৰাজী হ'ল। সি গাঁওবুঢ়া ধৰ্মদাসক ক'লেগৈ, "আপোনাৰ ম'হকেইজনী ওভোতাই দিব খুজিছোঁ। মই এতিয়াৰপৰা খেতি-বাতিত ধৰিম। যদি কিবা অন্যায় হৈছে, খেমিব।"

তাৰ পাছত বিশ্বনাথে কমলনাথৰ মাটিত শাক-পাচলি ওপোজাই, বজাৰত বেচি থাকিল। তাৰ শাক-পাচলিৰ দাম কম হোৱাত, চাওঁতে চাওঁতে সি জনপ্ৰিয় হৈ উঠিল, অধিকভাগ গ্ৰাহকেই বিশ্বনাথৰ-পৰা শাক-পাচলি লোৱা হ'ল।

এই কথালৈ লক্ষ্য কৰি শাক-পাচলিৰ দোকানী চক্ৰধৰে বিশ্বনাথক ক'লে, "তুমি কোনখন ধুবুৰীৰপৰা ওলালাহিহে ? তুমি বছা বছা শাক-পাচলিখিনি ইমান কম



দামত বেচি থকাৰ অৰ্থ হ'ল আমাক বিপাঙত পেলোৱাহে। এনেকৈ কাৰবাৰ কৰি থাকিলে আমাৰ দেখোন কি বোলেনে—লেংটি বেচা যাব।"

বিশ্বনাথে ক'লে, "চাওক, এইখন গাঁৱৰ মানুহে মোক খুৱাই-বুৱাই ৰাখিলে। মই তেওঁলোকৰপৰা লাভৰো উপৰি লাভ ল'ব নোৱাৰোঁ।"

কিন্তু শেহান্তৰত, ভূপতিৰ কথাত এদিন বিশ্বনাথে শাক-পাচলিৰ কাৰবাৰো এৰিবলগা হ'ল।

এদিন ভূপতিয়ে ক'লে, "বোপা বিশ্বনাথ, মই বুঢ়া হ'লোঁ। জীৱনকাল ফুল বেচি কটালোঁ, কিন্তু মোৰ ল'ৰাহঁতৰ কথা কৈ লাভ নাই। সিহঁতৰ এটায়ো ফুলৰ কাৰবাৰ নকৰে। তুমি যদি ফুলৰ কাৰবাৰটো চলাই যোৱা—মই বোপা বৰ শান্তি পাম।"

বৃদ্ধ ভূপতিৰ অনুৰোধ এৰাব নোৱাৰি বিশ্বনাথে শাক-পাচলি এৰি ফুলৰ কাৰবাৰত ধৰিলে। সি বছা বছা ফুলেৰে মালা গুঁঠি বেচি থাকিল। আৰু এই কথালৈ মন কৰি এদিন ভূপতিয়ে ক'লে, "হেৰাহে বোপা বিশ্বনাথ, এনেকৈ বছা বছা ফুলেৰে মালা গুঁঠিলে কিটোনো লাভ হ'ব? বেয়া বাহি ফুলবোৰো পেলাই নিদিবা, সেইবোৰো তাজাবোৰৰ লগত মিলাই দিব লাগিব। আৰু—মালাত ইমান ফুল নিদিবা। এইবোৰ নকৰিলে কাৰবাৰত একো লাভ নহ'ব।"

বিশ্বনাথে ক'লে, "মোৰ এটা মাত্ৰ পেট প্ৰৰ্তাবলৈ ইমান লোকক ঠগিব লাগিবনে? এই কথা ভাল লগা নাই।"

এদিন বৃদ্ধ ভূপতিয়ে কথাই কথাই বিশ্বনাথৰ কথা জ্ঞানগুপ্তক কৈছিল। তাৰ পাছত জ্ঞানগুপ্তই এদিন বিশ্বনাথক ক'লে, "বোপাটি বিশ্বনাথক, তুমি সঁচাকৈ সৎ। তোমাৰ তুলনা নাই। তোমাক মই ইমানেই ভাল পাই পেলাইছোঁ যে—

মোৰ ছোৱালীজনীক তোমাকেই দিম বুলি ভাবিছোঁ। যৌতক হিচাপে—মই টকা-পইচাৰ সলনি মোৰ গেলামালৰ দোকানখন তোমাক দিম বুলি ভাবিছোঁ।”

জ্ঞানগুপ্তৰ প্ৰস্তাৱত বিশ্বনাথ মান্তি হ'ল। এই খবৰ শুনি গাঁওবুঢ়া ধৰ্মদাস, কালিদাস, কমলনাথ, ভূপতি—আটাই-কেইজনেই দস্তুৰমত অবাক মানিলে। জ্ঞানগুপ্তৰ দৰে ইমান ডাঙৰ ব্যৱসায়ী এজনে—এনে থাকৰি নোহোৱা এটাক কেনেকৈ জোঁৱায়েক হিচাপে ল'লে—সেই কথাৰ ওৰ বিচাৰি নোপোৱা হ'ল।

তেওঁলোক আটাইকেইজনেই এক হৈ জ্ঞানগুপ্তক ক'লেহি “জ্ঞানগুপ্ত, তুমি বোলে থান-থিত নোহোৱা টাং গুটি বাই ফুৰা, লোকৰ খাই ডাঙৰ হোৱা বিশ্বনাথক তোমাৰ ছোৱালজনীক দিয়াৰ মনস্থ কৰিছা? কেৱল সৎ আৰু মিঠামুখীয়া হ'লেই হ'বনে? তাৰ লগত ঘৰ পতা কোনোবাজনীয়ে জীৱনতো সুখৰ মুখ দেখা পাবনে?”

কিন্তু তথাপি বিশ্বনাথৰ সৈতে জ্ঞানগুপ্তৰ ছোৱালীজনীৰ বিয়া হৈ গ'ল। বিয়াৰ পাছত বিশ্বনাথে গেলামালাৰ দোকানখনো চলাই থাকিল। কিছুদিনৰ পাছত ঢেৰ লোকচান হ'ল। কিন্তু জ্ঞানগুপ্তই এই বিষয়ত তেওঁৰ জোঁৱায়েক বিশ্বনাথক সহায় নকৰিলে।



এনে অৱস্থাত বিশ্বনাথৰ ঘৈণীয়েক গৌৰীয়ে তাইৰ গহনাখিনি বিশ্বনাথক দিলে আৰু ক'লে, "চোৱাঁ, তোমাৰ দোকানত হোৱা লোকচান দেউতাই কেতিয়াও পূৰণ কৰি নিদিয়ে। তুমি মোক বিয়া কৰালা, আমাৰ ল'ৰা এটি হ'ল। এতিয়া আমি তিনিজন। এতিয়াও যদি তুমি আগৰ দৰে—যেতিয়া তুমি অকল-শৰীয়াটো হৈ আছিলা—তেতিয়াৰ দৰে চলি থাকা—আমিনো কেনেকৈ কি কৰিম? বেহা-বেপাৰত কেৱল সৎ হ'লেই বেহা-বেপাৰ চলিবনে?"

ঘৈণীয়েকৰ কথাত অবাক মানি বিশ্বনাথে ক'লে, "তাৰ মানে—আনৰ ভাল-বেয়াৰ কথা নাভাবি কেৱল নিজৰ ভাল-বেয়া, নিজৰ স্বাৰ্থৰ চিন্তা কৰিম—ইয়াকে ক'ব খুজিছানে কি? তেতিয়া মই আৰু সৎ হৈ থাকিমনে?"

জ্ঞানগুপ্তই আঁৰৰপৰা সকলো শুনি আছিল। তেওঁ বিশ্বনাথক ক'লে, "শুনা বিশ্ব, তাই তোমাক স্বাৰ্থপৰ হ'বলৈ কোৱা নাই, তোমাক সততাৰে বেহা-বেপাৰ কৰিবলৈকো মানা কৰা নাই। কিন্তু বেহা-বেপাৰত লাভ-লোকচান বোলা কথা আছে। লাভ নহ'লে চলি থাকিবা কেনেকৈ, লাভৰ মূৰ খালে তোমালোকে খাবানো কি?" এই বুলি কৈ, জ্ঞানগুপ্তই বিশ্বনাথক কিছুখিনি টকা দিলে।

কিছুদিনৰ পাছত বিশ্বনাথেও যথা-যোগ্য লাভ ৰাখি বস্তু-বাহানি বেচিবলৈ ধৰিলে। কিন্তু এই লাভ আছিল ন্যায্য লাভ। তথাপি তাৰ দোকানত গ্ৰাহকৰ নাটনি নহ'ল। কিছুকালৰ অন্তত বিশ্ব-নাথ সেই অঞ্চলৰ এক বিশিষ্ট মৰ্যদা-সম্পন্ন ব্যৱসায়ী হিচাপে পৰিগণিত হ'ল। সৎ ব্যৱসায়ী হিচাপে বিশ্বনাথৰ খ্যাতি সমগ্ৰ বিশ্বত নহ'লেও বহুতো গাঁৱত বিয়পি পৰিছিল।





শলালাশলাগ

ৰজা আদিত্যবৰ্মাৰ সভাসদসকলে ৰজাক হোৱাই-নেহোৱাই কাৰণে-অকাৰণে সদায় প্ৰশংসা কৰি পোহ তুলিলৈ যত্ন কৰিছিল। কিন্তু এদিন ৰজাৰ মনত সন্দেহই মূৰ দাঙিলে : পাৰিষদইঁতে মোক যে পঞ্চমুখে শতমুখে লাকলঙীয়াকৈ শলাগে ইমান প্ৰশংসাৰ মই যোগ্যনে ? নে-এয়া শলাল-শলাগ আৰু—প্ৰজাইবা মোৰ সম্পৰ্কে কি ভাবে ?

এনিশা—জাৰকলীয়া নিশা—চাদৰ এখন উৰি ৰজা অকলেই ওলাল।

বহুদূৰলৈকে যোৱাৰ পাছত ফটা কানি গাত লৈ বাটৰ কাষত এজন মানুহে জাৰ-কোঁকাৰা দি শুই থকা দেখি ৰজাই মানুহজনক সুধিলে, "হেৰা-তোমাৰ জাৰ লগা নাই জানো ?"

মানুহজনে ক'লে, "মই যিখিনি কাপোৰ উৰিছোঁ, জাৰ সোমাবই নোৱাৰিব। জাৰ ইফালেদি সোমাই সিফালেদি ওলাই যাব। আপুনি গাত লোৱা চাদৰখনত এটা ফুটাও নাই, গতিকে জাৰ এবাৰ সোমালে ওলাব নোৱাৰিব।"

ৰজা আদিত্যই মানুহজনৰ কথা শুনি হাঁহি মাৰি ক'লে, "শুনা, মোৰ ওচৰত এশ সোণৰ মুদ্ৰা আছে। তোমাক যদি একুৰি সোণৰ মুদ্ৰা দিওঁ, তুমি মোক ৰজা হিচাপে ভাবি লৈ মোক শলাগিবানে ?"

"মাত্ৰ একুৰি মুদ্ৰাৰ লোভত মই তোমাক ৰজা বুলি ক'ম ? ওহোঁ, নহ'ব।"

"যদি পঞ্চাছটা সোণৰ মুদ্ৰা দিওঁ তোমাক ? তেতিয়া মোক ৰজা বুলি মোৰ শলাগ নল'বানে ?" ৰজাই সুধিলে।

মালিনী মহন্ত

"মোক যদি পঞ্চাছটা সোণৰ মুদ্ৰা দিয়া, তেতিয়া তোমাৰ ওচৰত থাকিব আৰু পঞ্চাছটা। গতিকে—তুমি আৰু মই সমান হৈ যাম। তেতিয়ানো তোমাক শলাগি থাকিম কিয় ?" মানুহজনে ক'লে।

মানুহজনৰ কথাত ভালেই পালে ৰজাই। তেওঁ সেই সেই ঠাই এৰি গুচি যাবলৈ ধৰিলে। গৈ থাকোঁতে ৰজাই ভাবিলে: মই খোজ বঢ়ালেই এই মানুহজন সোণৰ মুদ্ৰাৰ লোভত মোৰ পিছে পিছে আহি থাকিব। কিন্তু কিছুদূৰলৈ আগবাঢ়ি যোৱাৰ পাছতো মানুহজন নাহিল। ইমান দুখীয়া মানুহ এজনৰ সোণৰ মুদ্ৰালৈ লোভ নথকা দেখি ৰজাই আচৰিত মানিলে। শেহলৈ ৰজাই নিজেই দুখীয়া মানুহজনৰ ওচৰলৈ গ'ল।

"চোৱাঁ, তোমাৰ মুখৰপৰা শলাগনি শুনাৰ বাবে মই অস্থিৰ হৈ পৰিছোঁ। এতিয়া—মই তোমাক আটাইখিনিয়েই—মানে—মোৰ ওচৰত থকা সোণৰ মুদ্ৰা আটাইখিনিয়েই যদি তোমাক দিওঁ—তুমি তেতিয়া নিশ্চয় দেশৰ ৰজাক প্ৰশংসা কৰাৰ দৰে মোক প্ৰশংসা কৰিবা ?" ৰজা আদিত্যই আগ্ৰহৰে সুধিলে তাক।

ৰজাৰ কথাৰ উত্তৰত দুখীয়া মানুহজনে এইবাৰ ক'লে, "আপুনি যদি সঁচাসঁচিকৈ আটাইখিনি মুদ্ৰা মোক দিয়ে, আৰু আপোনাৰ ওচৰত একো নাথাকে, তেনেহ'লে—মোকহে আপুনি প্ৰশংসা কৰিব তেতিয়া।" মানুহজনে ৰজাৰ পিনে চাই চাই সে সেকৈ হাঁহি থাকিল।

ৰজা আদিত্যয়ো মানুহজনৰ লগে লগে হাঁহি হাঁহি, এশ সোণৰ মুদ্ৰা তাক দি, নিজৰ আচল চিনাকি দিলে আৰু দুখীয়া মানুহজনক তেতিয়াৰেপৰাই তেওঁৰ প্ৰধান পৰামৰ্শদাতাৰ পদত নিযুক্তি দিলে।

এই ঘটনাৰ পাছত সভাসদহঁতে ৰজাক কাচিৎ-কেতিয়াবাহে শলাগিছিল।



ৰজাৰ দায়

অৱন্তীদেশৰ ৰজা আছিল পৰৰাজ্যলোভী। নিজ ৰাজ্যৰ সীমা বঢ়োৱাৰ বাবে তেওঁ সদায় ইৰাজ্য সিৰাজ্য আক্ৰমণ কৰিছিল। এইদৰে, সদায় যুদ্ধ কৰি থকাৰ ফলত ৰজাৰ ব্যয় বহুত বাঢ়িল আৰু সেই ব্যয়ভাৰৰ বাবে প্ৰজাই অতিৰিক্ত কৰভাৰ বহন কৰি থাকিল। বেপাৰীহঁতে বয়-বস্তুৰ দাম আকাশলংঘা কৰিলে। আৰু তাৰ ফলত দেশত আকালৰ দৰে অৱস্থা হ'ল।

এনে অৱস্থাত—দেশত অৰাজকতা আৰু চুৰি-ডকাইতি বাঢ়িল। এদিন এটা চোৰে আন ক'তো চুৰি কৰাৰ জোখাৰে বস্তু নাপাই ৰজাৰ ধন-ভঁৰালতে সোমাই ধৰা পৰিল!

মহামন্ত্ৰীয়ে ৰজাক ক'লে, "চোৰটোক মুক্তি দিয়ক।" মহামন্ত্ৰীৰ অনুৰোধত চোৰটোক মুক্তি দিয়া হ'ল। চোৰটো গুচি যোৱাৰ পাছত ৰজাই মহামন্ত্ৰীক সুধিলে, "আপুনি চোৰটোক মুক্তি দিবলৈ ক'লে কিয়?"

"ক্ষমা কৰিব মহাৰাজ! এই চুৰিৰ বাবে আমিয়েই দায়ী। সি আমাৰ অব্যৱস্থাৰ কাৰণেই চুৰি কৰিবলৈ বাধ্য হৈছে।" মহামন্ত্ৰীয়ে ক'লে।

মন্ত্ৰীৰ কথাত ৰজাৰ হঠাৎ জ্ঞানোদয় হ'ল। তেতিয়াৰপৰা ৰজাই অন্য ৰাজ্য আক্ৰমণ বন্ধ কৰি, দেশৰ দুখীয়াৰো দুখীয়া প্ৰজাসকলৰ সমৃদ্ধিৰ বাবে মনপুতি লাগিল।

কবিৰ কবিৰাজী

কোনোবা এখন গাঁৱত বেণু-গোপাল নামৰ এজন স্বভাৱ কবি আছিল। এওঁক ৰাইজ 'ভট্টৰাজ কবি' বুলি মাতিছিল। এওঁ মুখে মুখে কবিতা ৰচি সকলোটিৰ মন জয় কৰিছিল। ৰাইজে ভাল পাই যি দিছিল, তাৰে এওঁ জীৱনযাপন কৰিছিল।

বিভিন্ন শুভকাৰ্য্যত গাঁৱৰ অধিকভাগ ৰাইজেই কবি বেণুক তথা ভট্টৰাজক মাতি নিছিল ; কিন্তু গাঁৱৰ জমিদাৰে কেতিয়াও ভট্টৰাজক কোনো উপলক্ষ্যে মতা নাছিল বা কেতিয়াও কোনো উপহাৰ-পুৰস্কাৰো দিয়া নাছিল। কিন্তু মাতক-নামাতকেই, জমিদাৰৰ ঘৰত ডাঙৰ অনুষ্ঠানাদি পাতিলে ভট্টৰাজ কবিয়ে উপযাচিয়ে তালৈ গৈছিল আৰু জমিদাৰৰ প্ৰশংসা কৰি মুখে মুখে কবিতা ৰচি সমজুৱাৰপৰা শলাগৰ শৰাই লভিছিল।

বছৰদিয়েকৰ পাছৰ কথা। জমিদাৰৰ জীয়েকৰ বিয়া। ভট্টৰাজ কবিয়ে ভাবিলে ঃ এইবাৰ জমিদাৰৰপৰা যেনে-তেনে উপহাৰ পুৰস্কাৰ যি হয় আদায় কৰিমেই কৰিম।

জীয়েকৰ বিয়াৰ দিনা জমিদাৰ ডাঙৰীয়াই যেতিয়া তেওঁৰ আত্মীয়-বন্ধু-বান্ধৱসকলৰ সৈতে জমাই গল্প কৰি আছিল, ঠিক তেতিয়াই ভট্টৰাজ কবি তাত উপস্থিত হ'লগৈ আৰু ক'লে, "আপুনি স্বয়ং ধৰ্মদাতা। আপোনাৰ দৰে দয়াশীল সহৃদয়, জমিদাৰ জগতত বিৰল। আশা কৰোঁ, যোৱাবাৰৰ প্ৰতিশ্ৰুতি আপুনি ৰক্ষা কৰিব আৰু মোক এইবাৰ মোক জোখে-জোখাৰে পুৰস্কৃত কৰিব।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

জমিদাৰে বাধ্যত পৰি কবি ভট্টৰাজক সুধিলে, “হে কবি-সম্রাট, তোমাক কি লাগে, কোৱাঁ।”

ভট্টৰাজে ক'লে, “যদি এজনী গাভী দান কৰে বৰ ভাল পাম।”

জমিদাৰে তেওঁৰ অনুচৰ এজনক আনে নুশুনাকৈ কাণে কাণে ক'লে, “চেৰেলা চাই গাই এজনী দিয়া ইয়াক।”

অনুচৰ বপুৰাই হাড়ে-ছালে লগা গাই এজনী ভট্টৰাজক গটাই দিলে।

*

ভট্টৰাজে গমিলেঃ ময়ো লেৰেলা পৰা, গৰুও চেৰেলা পৰা। এইজনীক লৈ যোৱা একেবাৰে অৰ্থহীন। কিন্তু নিনিলেও জমিদাৰে অপমান পাই খং কৰিব। কেইমুহূৰ্তমান ভাবি ভাবি ভট্টৰাজে উপায় এটা উলিয়ালে। ভট্টৰাজে গৰুটোৰ কাণে কাণে ফুচফুচালেগৈ।

*

কাণ্ড দেখি সকলো অবাক। জমিদাৰে হাঁহি ৰখাই সুধিলে, “কি হ'ল ভট্টকবি, গাইজনীৰ কাণে কাণে কি ক'লানো?”

তাইক মই সুধিলোঁ, “তুমি পোৱালি দিবানে আৰু? ৰ'ব, তাই কি কয় শুনি আহোঁগৈ।” এই বুলি কৈ, ভট্টৰাজে গাইজনীৰ মুখৰ ওচৰত কাণ পাতি তাইৰ কথা শুনাৰ ভাও জুৰিলে, আৰু ভালেখিনি সময় তেনেকৈ থকাৰ পাছত জমিদাৰক



উদ্দেশি ক'লে, "জমিদাৰ ডাঙৰীয়া, মোৰ প্ৰশ্নৰ উত্তৰত গাইজনীয়ে ক'লে, 'মই সত্যযুগত মহিষাসুৰৰ ওচৰত আছিলোঁ। মহিষাসুৰ যে কেনেদৰে আদিশক্তিৰ ওচৰত নিঃশেষে শেষ হ'ল, মই তাৰ প্ৰত্যক্ষদৰ্শী। ৰাৱণ জনমিল আৰুশ্ৰীৰাম-চন্দ্ৰৰ হাতত মৰিল। এই ঘটনাৰো মই প্ৰত্যক্ষদৰ্শী। তাৰ পাছত আহিল দ্বাপৰ যুগ। দ্বাপৰত দেখা পালোঁ কংসৰ দাৰুণ বিক্ৰম। কিন্তু তথাপি কংসই কৃষ্ণৰ হাততে মৰিবলগীয়া হ'ল; যদিও মোৰ মৰণ তেতিয়াওনহ'ল। তোমাৰ প্ৰশ্ন শুনি মোৰ হাঁহি উঠিছে। মোৰ মৰণে যেতিয়া চমু চাপিছে, তেতিয়া মোক সুধিছা যে মই পোৱালি দিমনে নাই! হাঃ! এনে ঘৃণ্য কথা সুধিবলৈ তোমাৰ লাজ নালাগিলনে? এই বয়সত যদি পোৱালি দিওঁ, সেই পোৱালি পালিবলৈ কোন ওলাবহিনো? আৰু—পোৱালি দিয়াৰ বয়স মোৰ কাহানিবাই উকলি গ'ল।' জমিদাৰ ডাঙৰীয়া, গাইজনীয়ে মোক ইমানকে ক'লে।"

কথা শুনি দহোৰাইজৰ আগত জমিদাৰ অপদস্থ হোৱাৰ উপক্ৰম হ'ল। তেওঁ তেওঁৰ সেই অনুচৰটোক ধমক মাৰি ক'লে "বোলোঁ, ঐ কেশৰ, তই বলিয়া হ'লিনে কি? নে তোৰ পেট চলিল? তই এনেকুৱা চেৰেলা পৰা গাই এজনী এওঁক দিবলৈ কিয় লৈ আহিলি ঐ পাত কটা দাঁড়টো? যা যা—পোৱালিৰে সৈতে গাই এজনী তুৰন্তে লৈ আহগৈ। জল্‌দি জল্‌দিকৈ আনিবি।"

*

কেশৰে বৰ ভাল চাই পোৱালিৰে সৈতে গাই এজনী লৈ আহিলগৈ। তেতিয়া ভউ-কবিয়ে জমিদাৰ আৰু তেওঁৰ আত্মীয়-বন্ধুসকলকো শলাগি এক অনুপম কবিতা ৰচি পৰিবেশন কৰিলে।





আলোসৰ লাৰু

আমেৰিকাৰ গ্ৰীষ্মপ্ৰধান অঞ্চলত শ্লাং নামৰ এজাতি তিনিটা আঙুলি থকা বগা বৰণৰ মেকুৰী দেখিবলৈ পোৱা যায়। এইবোৰ মেকুৰীয়ে মাটিত মিনিটেপ্ৰতি ৬'৮ ফিট অৰ্থাৎ ২'১০ মিটাৰ খোজ কাঢ়ি যাব পাৰে। আৰু গছত মিনিটে প্ৰতি ২ ফিট অৰ্থাৎ প্ৰতি ছেকেণ্ডত ০'৬১ মিটাৰকৈ আগবাঢ়িব পাৰে।

প্ৰাচীনতম বৃক্ষ

গিংকৃগ' নামৰ এজোপা ফুলগছক পৃথিৱীৰ প্ৰাচীনতম বৃক্ষ হিচাপে গণ্য কৰা হয়। ১৮,০০০,০০০ বছৰৰ আগতে এই ফুলগছ চীনদেশত আছিল।

ধুঁৱলিৰ ধুন

কেনেডাৰ নিউফাউণ্ডল্যাণ্ডৰ গ্ৰ্যাণ্ড ব্যাংকৃছ অঞ্চলত পৃথিৱীৰ আটাইতকৈ অধিক ধুঁৱলি পৰিলক্ষিত হয়। বছৰটোৰ ১২০ দিনেই এই ধুঁৱলিয়ে সেই অঞ্চল ধোঁৱা-কোঁৱা কৰি ৰাখে।



'মেৰি'—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। **গুণত অনুপম!** সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX: 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৭ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৭ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।

ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ নভেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নবীনৰ জয় জয়

দ্বিতীয় ফটো : প্ৰাচীনৰো নাই ক্ষয়

পুৰস্কাৰ প্ৰাপক : শ্ৰীমান অৰূপ দাস, ডুলিয়াজান।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চা ন্দ মা মা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

OR

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
सुपर
रिन
सफ़ेदी की चमकार
RIN
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্থান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 99 2016 AS

জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়... শালমন ওলাই সকলো পণ্ড কৰি পেলালে

মোৰ জীৱনৰ সেই ডাঙৰ দিনটোৰ কাৰণে মই সকলো ধৰণে প্ৰস্তুত হৈছিলো — স্কুলৰ বছৰেকীয়া অনুষ্ঠান। প্ৰতিযোগিতাত যিটো গীত গাম, তাৰো আখৰা কৰিছিলো পূৰ্ণোদ্যমে। সকলোবোৰ ভাল ধৰণেই আগবাঢ়িছিল, কিন্তু হঠাৎ…মই দেখিলো মোৰ মুখত শালমন ওলাইছে। কিযে কাণ্ড… জীৱনটো যেতিয়া ৰং-ধেমালি কৰি উপভোগ কৰাৰ সময়… এই বয়সত এইবোৰ কি ওলাল… নাই, নাই… এইখন মুখ লৈ মই মানুহৰ আগত ওলাব নোৱাৰো।

এনে সময়তে মোৰ বন্ধু এজনী আহি কলেহি 'চিন্তা নকৰিবা' ক্লিয়াৰেচিল লগোৱা, ময়ো ব্যৱহাৰ কৰি চাইছো। তুমি জানা, ক্লিয়াৰেচিলে শালমন দূৰ কৰে। আৰু আনকি ই বিয়পি পৰা প্ৰতিৰোধ কৰাটো সহায় কৰে। মাথো সেয়াই নহয়, বিশ্বাস কৰা, ই সঁচাকৈয়ে প্ৰভাৱশালী।

বিপুল হৰ্ষধ্বনিৰ মাজত মই পুৰস্কাৰ গ্ৰহণ কৰিছিলো আৰু মনে মনে ধন্যবাদ দিছিলো ক্লিয়াৰেচিলক যাৰ যহত মই এই সাফল্য লাভ কৰিলো… ই হ'ল মোৰ জীৱনৰ সবাতোকৈ ৰোমাঞ্চকৰ মুহূৰ্ত্ত।

ক্লিয়াৰেচিল'এ ৩-ধৰণে কাম কৰে



১। শালমন মুকলি কৰে
বিশেষ ঔষধিয়ে শালমনৰ ওপৰৰ ঢোকোৰা ভাঙি পেলোৱাত সহায় কৰে।

২। জীৱাণু প্ৰতিৰোধ কৰে
জীৱাণুনাশক ক্ৰিয়াই শালমন সৃষ্টি কৰা আৰু বিয়পাব পৰা জীৱাণু প্ৰতিৰোধ কৰে।

৩। শালমন শুকুৱাই পেলায়
অতিৰিক্ত তৈলভাগ শুহি লৈ শালমন শুকুৱাই পেলোৱাত সহায় কৰে।

OBM-7991 ASM

ক্লিয়াৰেচিল শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

A Super treat in every sweet!
SUPER SIZE!
SUPER TASTE!
nutrine
SuperStar
Premium toffees
TWIN TREAT
DELITE
TOP CREAM
Heavenly delights
CLARION/NC/8636
nutrine ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলেট
নিউট্ৰিন কনফেকশনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিতুৰ, অ.প্ৰ